# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## Vol. I
## No. 7

The 12th February, 1974

Price—Rs. 18.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

1974

February 12th, 1974

The House met at Ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

BUDGET SESSION

Volume-I. No. 7

Dated, the 12th February, 1974

## CONTENTS


| | | Pag |
|---|---|---|
| 1. | Questions | 1 to 2 |
| 2. | Statement by the Chief Minister | 30 to 3 |
| 3. | Adjournment Motion | 36 to 4 |
| 4. | Matter Under Rule 301 | 45 to 5 |
| 5. | Statement by Ministers | 55 to 6 |
| 6. | Debate on the Governor's Address | 64 to 9 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Date : 12th February, 1974

The Assembly met in the Assembly Chamber, Dispur, at 10 a.m. with the Hon'ble Speaker in the Chair, 10 ( ten ) Minister, 3 ( three ) Minister of State, 65 ( Sixty five ) members.

## STARRED
## QUESTION AND ANSWERS
( to which oral replies were given )

### বিষয়ঃ জিলা আৰু মহকুমা পুথিভঁৰাল

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*৬২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমানটা জিলা আৰু মহকুমা পুথিভঁৰাল আছে ?

(খ) এই পুথিভঁৰাল সমূহৰ সকলো পুথিভঁৰালী পুথিভঁৰাল বিজ্ঞানৰ প্ৰশিক্ষণ প্ৰাপ্ত হয়নে ?

(গ) যদি নহয় তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ কি কি ব্যৱস্থা কৰা হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) ৯টা জিলা পুথিভঁৰাল আৰু ১০টা মহকুমা পৰ্যায়ৰ পুথিভঁৰাল আছে ।

(খ) সকলো কেইজন প্ৰশিক্ষণ প্ৰাপ্ত নহয়।

(গ) ১৯৬৮ চনলৈকে পুথিভঁৰালীৰ প্ৰশিক্ষণ দিয়াৰ আচনি আছিল, বৰ্ত্তমানে নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, যি বিলাক জিলা আৰু মহকুমা পৰ্যায়ৰ পুথিভঁৰালত প্ৰশিক্ষণ প্ৰাপ্ত পুথিভঁৰালী নাই তেওঁলোকৰ কাৰণে গুৱাহাটী বিশ্ব বিদ্যালয়ত যি পুথিভৰাল বিজ্ঞানৰ শিক্ষাৰ ব্যৱস্থা আছে তাত প্ৰশিক্ষণ দিয়াৰ কোনো আচঁনি চৰকাৰে লৈছেনে, যদি লোৱা নাই লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): তেনেকুৱা আচনিৰ কথা বিবেচনা কৰি থকা হৈছে।

শ্ৰীআটাউৰ ৰহমান: আটাইবিলাক জিলা আৰু মহকুমা পৰ্যায়ৰ পুথিভৰালৰ ঘৰ সজা হ'লনে। দৃষ্টান্ত স্বৰূপে বৰপেটা মহকুমাৰ পুথিভৰালৰ ঘৰ সজা হ'লনে যদি নাই হোৱা কি ব্যৱস্থা কৰিছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): আটাইবিলাকতে ঘৰ সজা হোৱা নাই। বৰপেটা মহকুমা পুথিভৰালটো যত আছে তাতে কিছুমানে কৰি'লৈ কয় আৰু হাইস্কুলৰ ওচৰত আমি মাটি বিচাৰিছো তাৰ কাৰণে নিৰ্গচি'য়চন চলাই থকা হৈছে। নিগচিয়েচন হলেই তাত ঘৰ সজা হব।

শ্ৰীপ্ৰেম বৰা: মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে জিলা পৰ্য্যায়ত ৯টা আৰু মহকুমা পৰ্যায়ত ১০টা পুথিভৰাল আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমান মহকুমাত এতিয়ালৈকে পুথিভৰাল হোৱা নাই?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): ১০টা মহকুমাত পুথিভৰাল আছে বাকী বিলাকত নাই।

শ্ৰীপ্ৰেম বৰা: যি বিলাক মহকুমাত পুথিভৰাল নাই তাত সজাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): এই কথা চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীলক্ষীকান্ত শইকীয়া: কিছুমান পুথিভৰালত প্ৰশিক্ষণ প্ৰাপ্ত পুথিভৰালী আছে আৰু কিছুমান পুথিভৰালত প্ৰশিক্ষণ প্ৰাপ্ত পুথিভৰালী নাই। মই জানিব বিচাৰিছো যে প্ৰশিক্ষণ পোৱা আৰু নোপোৱা পুথিভৰালীৰ মাজত চাকৰিৰ ক্ষেত্ৰত কি ব্যৱধান আছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): ব্যৱধান নাই। প্ৰশিক্ষণ ১৯৬৮ চনলৈকে দিয়া হ'ল, তাৰ পিচত বন্ধ কৰি দিয়া হ'ল। যি বিলাকে প্ৰশিক্ষণ লব নোৱাৰিলে তেওঁলোকে নললে। তেওঁলোকৰ মাজত দৰ্মহাৰ কোনো ব্যৱধান নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া: যি সকল পুথিভৰালীৰ প্ৰশিক্ষণ নাই বিশেষকৈ মহকুমা পুথিভৰালত তেওঁলোকক প্ৰশাসনীয় ক্ষমতা নিদিয়াৰ কাৰণে পুথিভৰালৰ সকলো ধৰণৰ প্ৰশাসন চলাব নোৱাৰে সেই কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): তাত প্ৰশাসনৰ কথা নাথাকে। ইয়াত কিতাপ বিতৰণৰ কথাহে থাকে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : প্ৰশাসনৰ কথা তাত আছে। মহকুমাৰ পুথিভৰাল এটাৰ সকলো দায়িত্ব পুথিভৰালী জনৰ ওপৰত থাকে। তেওঁ দৈনন্দিন যি বিলাক খৰচ আদি কৰিবলগীয়া হয় সেই খৰচ কেন্দ্ৰীয় পুথিভৰালীৰ অনুমোদন নহলে কৰিব যে নোৱাৰে। সেইকথা চৰকাৰে জানেনে আৰু সেই অসুবিধা দূৰ কৰাৰ বিষয়ে বিবেচনা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : মই এইটো পৰীক্ষা কৰি চাম।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী : ১৯৬৮ চনতেই এই প্ৰশিক্ষণৰ ব্যৱস্থা উঠাই দিয়া হ'ল। এতিয়া এই প্ৰশিক্ষণ ব্যৱস্থাৰ আৱশ্যকতা নাই বুলি বিবেচনা কৰে নেকি ? আৰু এইটো কিয় উঠাই দিলে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : আৱশ্যকতা আছে কাৰণেই এইটো বিবেচনা কৰি থকা হৈছে। সেই সময়ত হয়তো টকাৰ অভাবৰ কাৰণেই এই ব্যৱস্থা উঠাই দিয়া হৈছিল। এতিয়া এইটোৰ পুনৰ আৱশ্যকতা অনুভব কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : চৰকাৰৰ আচনি মতে প্ৰায় বিলাক সদৰ আৰু মহকুমাতে এনে ধৰণৰ পুথিভৰাল প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰৰ ঘোষিত নীতি আছে। এনে অৱস্থাত মই জানিব খুজিছো সদৰ আৰু মহকুমা পৰ্য্যায়ৰ পুথিভৰাল বিলাক কিয় হৈ উঠা নাই ? আৰু এই বিলাক কৰিবলৈ ফাণ্ডৰ ব্যৱস্থা আছেনে নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : ফাণ্ডৰ অভাৱৰ কাৰণ ঘৰ সাজিব পৰা নাই। আৰু মই আগতেই কৈ আহিছো যে পঞ্চম পঞ্চ বাৰ্ষিকী পৰিকল্পনাত ইয়াৰ কাৰণে টকা ধৰা হৈছে। সেই বিলাক টকা পালেই ঘৰ সাজিব পৰা হব নহলে একেই অৱস্থা হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিছুমান মহকুমাত ঘৰৰ অভাৱৰ কাৰণে পুথিভৰালৰ কিতাপ আৰু আচবাব পত্ৰ ৰাখিব নোৱাৰা হৈছে। এইটো কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : এইটো খবৰ মোৰ হাতত নাই।

শ্ৰীপিটসিং কোঁৱৰ : যি বিলাকত নতুনকৈ মহকুমা প্ৰতিষ্ঠা হৈছে সেই বিলাকত পুথিভৰালৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : টকা পালে কৰিম বুলি কৈ আহিছো।

## Re : Extension of School Session.

Shri Dulal Chandra Khound asked :

* 63. Will the Minister, Education be pleased to state—
(a) Whether the Government has extended the school session upto the 31st March ?
(b) If so, will the students have to pay tuition fees for 15 months in the same class ?

Shri Harendra Nath Talukdar ( Minister, Education ) replied :
(a) Yes.
(b) Yes.

Shri Dulal Chandra Khound : Mr. Speaker, Sir, may I know from the Hon'ble Minister, Education, whether it is not a fact that the students are required to pay tuition fees for 12 months for an academic session ?

Shri Harendra Nath Talukdar ( Minister ) : Yes, sir.

Shri Dulal Chandra Khound : Sir, may I know from the Hon'ble Minister, Education, whether students will be compelled to pay tuition fees for 15 months for the academic session ?

Shri Harendra Nath Talukdar ( Minister ) : Sir, in repay to Q. (B), I have given the answer—'yes'.

শ্ৰীমদন চন্দ্ৰ তালুকদাৰ : মন্ত্ৰী মহোদয়ে যোৱাবাৰ বিধান সভাৰ বাজেট অধিবেশনত এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ছাত্ৰ-ছাত্ৰী সকলে যাতে ১৫ মাহৰ মাচুল দিবলগীয়া নহয় সেই কথা চৰকাৰে বিবেচনা কৰি চাব। মই জানিব বিচাৰিছো যে সেই কথাৰ কিবা সিদ্ধান্ত হ'লনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : এতিয়াও সিদ্ধান্ত লোৱা হোৱা নাই। এইবিলাক পৰীক্ষা কৰি আছো কোন কোন স্কুলত কিমান টকা লাগে সেইটো পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : এই অতিৰিক্ত তিনিমাহৰ মাচুল চৰকাৰে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : ঘুৰাই দিয়া নিদিয়াৰ ব্যৱস্থাৰ কথা চিন্তা কৰি আছো।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড : মোৰো সেইটোৰেই প্ৰশ্ন আছিল। চৰকাৰৰ নিজৰ কাম কাজৰ সুবিধাৰ কাৰণে ১৫ মহীয়া কৰিবলগীয়া হ'ল আৰু তাৰ কাৰণেই দুখীয়া অভিভাৱক সকলে ৩ মাহৰ বেচি মাচুল ভৰিবলগীয়া হল। সেই তিনি মাহৰ অতিৰিক্ত টকা ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : চৰকাৰৰ সুবিধা মতে কৰা নাই। একাডেমিক কাউঞ্চিলৰ পৰামৰ্শক্ৰমেহে কৰা হৈছে। তিনি মাহৰ মাচুলৰ কথা চৰকাৰে বিবেচনা কৰি আছে।

## Re : Carriage contract for cement.

Shrimati Renuka Devi Barkataki asked :

*64. Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that a particular contractor/Firm of Shillong M/s. National Carriers, were given carriage contract for cement from Shillong to Gauhati for Capital Construction ?

(b) If so, whether Government is aware that the persons behind this firm were involved in a case with the State Government in the name of another Firm ?

(c) Whether it is a fact that this carriage contract was given to this firm directly by the Secretary, P.W.D. at Shillong ?

Dr. Lutfur Rahman ( Minister, P.W.D. ) replied :

(a) Shri Tara Singh ( M/s. National Carriers ) of Shillong was given contract to carry cement from factory at Cherrapunjee for construction of Temporary Capital along with some other parties.

(b) P.W.D. is not aware of any such fact.

(c) Yes.

Shrimati Renuka Devi Barkataki : Sir, in answer to Q (b) the Hon'ble Minister has stated that P.W D. is not aware of any such fact. In view of this, may I know from the Hon'ble Minister whether Government is aware of the fact that M/s Eagle & Co. has changed the name of their firm as M/s National Carriers and this Eagle and Co. was involved in a case that was recorded in this House by the Ex. Member of this House Shri L. Choudhury ?

Dr. Lutfur Rahman ( Minister ) : Sir, in my answer to Q. (b), I have stated that P.W.D. is not aware of any such fact.

Shri Dulal Chandra Barua : Sir, may I know from the Hon'ble Minister whether there is any machinery to see that the cement is carried properly to its destination ?

Dr. Lutfur Rahman ( Minister ) : Yes, sir, and we get the account from the Officers concerned.

Shri Dulal Chandra Barua : Whether any physical verification has been made on this account ?

Dr. Lutfur Rahman ( Minister ) : Yes, Sir, physical verification is made after it is recieved.

Shri Dulal Chandra Barua : Is Government aware of the fact that half of the cement carried in the name of capital construction is diverted from Jorabat to Upper Assam side ?

Dr. Lutfur Rahman ( Minister ) : Government is not aware of any such thing.

Shri Probin Kumar Choudhury : May I know from the hon'ble Minister whether Government has advanced any noney to the Cement Co. ? If so, what is the amouut ?

)r. Lutfur Rahman ( Minister ) : Yes, Sir, the total amount ; not with me.

hri Dulal Chandra Barua : What it the basis on which ich agencies are appointed ?

Dr. Lutfur Rahman (Minister): On the basis of experience and capability.

Shri Dulal Chandra Barua: Why this has not been entrusted to the Assam and Meghalaya State Road Transport Corporation?

Dr. Lutfur Rahman (Minister): They have not got the capacity.

Shri Dulal Chandaa Barua: Whether it is a fact that Assam and Meghalaya State road Transport Corporation wanted to carry cement but they were refused permission?

Dr Lutfur Rahman (Minister): In fact, I gave an offer to them, but the Corporation did not have the required capacity.

Shri Dulal Chandra Barua: When the offer was given?

Dr. Lutfur Rahman (Minister): It is about two months.

Shrimati Renuka Devi Barkataki: Under what rule, the Secretary P W D. can give such contract directly to the contractor for a particular project?

Dr. Lutfur Rahman (Minister): It is the duty of the P, W. D, to do this.

Shrimati Renuka Devi Barkataki: So, the Secretary, P.W.D, was directly involved in the capital construction project?

Dr. Lutfur Rahman (Minister): Yes Sir, definitely Secretary, PWD, is concerned with the construction of the capital project.

Shri Dulal Chandra Barua: What is the total quantity so far purchased by the Government for construction to temporary capital?

Dr. Lutfur Rahman (Minister): The total quantity so far allotted is 3,675 metric tonnes, of which a quantity of 2,447.45 metric tonnes has so far been released by the Assam Cements.

Shri Dulal Chandra Barua: Are we to understand that the entire construction has been completed by Government by locally manufactured cement or Government procured cement from outside the State and if so, what is the quantity of cement procured from outside the State?

Dr. Lutfur Rahman (Minister): That figure is not with me.

Shri Balabhadra Das: Whether tenders were called for from the contractors and what are the dates of such tenders, for carrying cement and who are the parties that submitted tenders?

Dr. Lutfur Rahman (Minister): Quotations were called for, but the date is not with me.

Shri Balabhadra Das: From how many parties quotations were called for?

Dr. Lutfur Rahman (Minister): Total number of parties is not with me.

Shri Balabhadra Das: So, we can say that it is a bogus agency?

Dr Lutfur Rahman (Minister): This is a wrong aspersion, Sir.

Shri Dulal Chandra Barua: May I know from the Hon'ble Minister what are the agencies through which the Government of Assam the P.W.D. Deptt. is procuring cement from outside the State?

Dr. Lutfur Rahman (Minister): There is no agency as such. Cement is allotted to the Government of Assam.

Shri Dulal Chandra Barua: Whether the Govrenment is awere of the fact that the quantity of cement allotted in the name of Assam Government P.W.D. is sold out in Calcutta?

Dr. Lutfur Rahman (Minister): That is not a question of selling. Sometimes some quantity of cement booked for Assam P.W.D. does not reach the destination in Assam,

may be due to transport bottle-neck at Farakka or some other reason, and such cement is diverted to other places.

Shri Dulal Chandra Barua : Whether any verification has been made so far if diversion of cement to other places is made due to transport bottle-neck or sold out in the Calcutta market ?

Dr. Lutfur Rahman ( Minister ) : I cannot say whether it has been sold out in the Calcutta market, but I took it up at the highest level.

Shri Giasuddin Ahmed : Sir, the hon'ble Minister has said that cement allotted to Assam is sometimes diverted to other places due to transport bottle-neck etc. I want to know whether the quantity is sold out or not.

Dr. Lutfur Rahman ( Minister ) : I have already said, sir cement is a Perishable commodity and due to transport bottle-neck, diversion to other places is made sometimes.

Shri Dulal Chandra Barua . Whether the quantity is diverted to other places with the knowledge of the Goverment of Assam ?

Dr. Lutfur Rahman ( Minister ) : Government of Assam knows of such diversion.

Shri Dulal Chandra Barua : Whether prior permission is necessary from the Goverment of Assam for such diversion.

Dr. Lutfur Rahman ( Minister ) : I do not think any permission is necessary.

Shrimati Renuka Devi Barkataki : It is not very clear, Sir. The hon'ble Minister has said that the quantity allotted to Assam is sometimes diverted to somewhere else and at the same time, the Minister has said that no prior permission is needed for such diversion. May I know from the hon'ble Minister if in the name of the railway difficulties, the quota allotted to Assam can be diverted to some other places without the permission of the Assam Government ?

Dr. Lutfur Rahman ( Minister ) : Sir, cement is in short supply in every State and each State requires much more cement than allotted. As such, if the quota allotted for Assam cannot reach the destination in Assam due to transport difficulties, the quantity is diverted only then.

Shrimati Renuka Devi Barkataki : I want to know when it is diverted : whether at the point of allotment or after the quantity is lifted ?

Dr. Lutfur Rahman ( Minister ) : Both are correct. When suppliers do not get the required number of wagons, diversion is made at the place of production and the quantity is sent to some other States. At the same time when thee is any transport difficulty on way, due to any bottle-neck at Farakka etc. the wagons are sent back to other places.

Shrimati Renuka Devi Barkataki : I am asking whether cement is diverted at the source of allotment or diverted after allotment for distribution to private parties ?

Dr. Lutfur Rahman ( Minister ) : It is not distributed among private parties.

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, চিমেণ্টৰ নাটনিতো অসমত এনেকুৱা খবৰে প্ৰকত হৈ উঠিছে যে, বহুতো বিভাগৰ নিৰ্ম্মান কাৰ্য্য বন্ধ হৈ আছে। বহুতো ঠাইৰ পৰা ৰাজধানীলৈ চিমেণ্ট অনা হৈছে, কিন্তু এই ৰাজধানীলৈ অনা চিমেণ্ট বিলাক প্ৰকৃততে ঠিক মতে খৰচ কৰা হৈছেনে নাই তাৰ সদ-ব্যৱহাৰ হৈছেনে নাই, ইয়াৰ এটা হিচাব-নিকাচ ৰখাৰ ব্যৱস্থা কৰিছেনে ?

ডঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰাজধানীৰ কাৰণে যিমান চিমেণ্ট অনা হৈছে, তাৰ হিচাব নিকাচ ৰখা হৈছে।

Shri Probin Kumar Choudhury : The hon'ble Minister has said that due to non-availability of wagons, cement had to be diverted to other States. Whether the Minister referred this to the Ministery of Railways and Transport for allotment of wagons ?

Dr. Lutfur Rahman ( Minister ) : Not only that I referred this in writing but I took this up personally at Delhi

and I got some cement, about 6,000 metric tonnes, in the month of December ard January last.

Shri Dulal Chandra Baruah : The Minister has stated that both ways cement, were diverted. May I know from the Minister after allotment of cement in the name of Assam Government, whether prior permission is obtained if any quantity has to be diverted ? May I know from the hon'ble Minister in charge of P. W. D. whether such permission has obtained even after lifting the quota from the place of production or on the way it was diverted and no action has so far been taken and were no intimation even given to the Government of Assam to this effect ?

Dr. Lutfur Rahaman ( Minister ) : I have already stated the position, Sir. In fact the suppliers are to sponsor the wagons and when wagons arein short supply or they cannot reach the destination in Assam due to transport bottle-neck on way, the quantity is diverted to other places because cement is a perishable commodity.

Shri Dulal Chandra Khound : Sir, is it a fact that cement is sold at higher prices at some places and the quantity does not reach the destination in Assam not because of shortage of wagon ?

Dr. Lutfur Rahman ( Minister ) : That may be correct, Sir. Our official information is that wagons are not available in time and so cement does not reach the destination in Assam.

## বিষয়—মেঘালয়লৈ গৰু

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে :

* ৬৫। মাননীয় পশু-পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ পৰা মেঘালয়লৈ প্ৰত্যেক দিনে কিমান গৰু যায় ?

(খ) ইয়াৰ কাৰণে কোনো ধৰণৰ কৰৰ ব্যৱস্থা আছেনে ?

(গ) যদি আছে বছৰত এই গৰুৰ পৰা কিমান কৰ পোৱা যায় ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (পশু-পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) জনা নাযায়।

(খ) আৰু (গ) প্ৰশ্ন নুঠে।

শ্ৰীআব্দুল হান্নান চৌধুৰী: অধ্যক্ষ মহোদয়, মেঘালয়লৈ এইদৰে অবাধে গৰু যোৱাৰ ফলত আমাৰ হাল বোৱা গৰুৰ যে দাম বাঢ়িছে এইটো কথা চৰকাৰে জানেনে আৰু ইয়াক বাধা দিয়াৰ চেষ্টা চৰকাৰে কৰিছেনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয় এতিয়ালৈকে কৰা হোৱা নাই।

শ্ৰীজালালউদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, আমি দেখিছো যে, ১৯৬৭ চনৰ পৰাই চিলঙলৈ অবাধে গৰু যায় থাকে। অন্ততঃ পক্ষে ৩৪ হাজাৰ গৰু যায় থাকে এই গৰুবিলাক কি কাৰণে যায় থাকে মন্ত্ৰী মহোদয়ে তাৰ উত্তৰ দিব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, গৰু নাযায় বুলি কোৱা নাই। কিন্তু কিমান যায় সেইটো কোৱা নাযায়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া: অধ্যক্ষ মহোদয়, এই মেঘালয়লৈ যোৱা গৰু বিলাকৰ ওপৰত কৰ বহুৱাব পাৰিবনে, আৰু মইও ইয়াকে সুধিব বিচাৰিছো যে, এই গৰু বিলাকৰ ওপৰত কোনো কৰ লগাব নোৱাৰিনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয় যিবিলাক গৰু মেঘালয়লৈ লৈ যায়, সেইবিলাক গৰু বজাৰৰ পৰা নিয়ে আৰু বজাৰৰ যি কৰ সেই কৰ দিয়া হয়। গতিকে চৰকাৰৰ পক্ষৰ পৰা কোনো কৰ লগোৱা নহয়।

শ্ৰীআব্দুল হান্নান চৌধুৰী: আমাৰ বজাৰত কিনা গৰুৰ বাহিৰেও যে বেছেগ গৰু চোৰ কৰি লৈ যায় এইটো কথা সচানে? চৰকাৰে ইয়াৰ কিবা ব্যৱস্থা কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): খবৰ দিলে ব্যৱস্থা কৰা হব।

শ্ৰীগিয়াছ উদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, অসমত গৰুৰ কিবা চেন্চাচ কৰা হৈছে নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): চৰকাৰৰ হাতত আছে, কিন্তু মোৰ হাতত নাই।

শ্ৰীৰেনুকা দেবী বৰকটকী: অধ্যক্ষ মহোদয়, অসমৰ পৰা মেঘালয়লৈ গৰু যায়নে, গৰু নিয়ে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): গৰুবিলাক লৈ যায়।

মৌলানা আব্দুল জেলিল চৌধুৰী: অসমৰ পৰা যিবিলাক গৰু লৈ যায় তাৰ টকা অসমলৈ আহেনে বাহিৰলৈ যায় ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): সেইটো ব্যৱসায়ৰ কথা।

Starred Questions nos 66, 67, and 68 were not takon up as the Hon'ble members were absent.

### Re: Sugar Mills.

Shrimati Renuka Devi Barkataki asked:

* 69. Will the Minister, Industries be pleased to state:

(a) Whether it is a fact that the Government of India has sanctioned seven Sugar Mills in Assam?

(b) Who has undertaken the work of these Sugar Mills?

(c) What is the progress made in this connection?

Shri Mahammad Idris (Minister, Industries) replied:

(a) Not yet.

(b) M/s. Assam Industrial Development Corporation Ltd. under advice of the "Assam Sugar Industry Development Board" has been doing all preliminary works in connection with the proposed Sugar Mills.

(c) Applications for licenses for 7 Sugar Mills have been submitted; survey conducted and feasibility report submitted to Government of India; the "Assam Sugar Industry Development Board" constituted; Screening Committee, Government of India, Ministry of Food and Agriculture have considered the 7 applications which are now pending for consideration before the Licencing Committee.

Shrimati Renuka Devi Barkataki : Sir, when the Government expect that letters of intent for the seven sugar mills will be issued by the Government of India ?

Shri Mahammad Idris ( Minister ) : Sir, I do expect some letters of intent in no time but I cannot say whether all the seven letters of intent will be there.

Shrimati Renuka Devi Barkataki : Sir, seven project reports have been submitted for approval of the Government of India. May I know whether the sites have been selected ?

Shri Mahammad Idris ( Minister ) : The feasibility report which has been prepared by the expert team from Kanpur after visiting different districts and a few sites in every district have indicated some sites. After the final consideration by the Government of India of the feasibility report, the site, I mean the districts, will be indicated by the Government of India and then we will select the sites according to the feasibility which we have obtained.

শ্ৰীনগেন বৰুৱা : মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই কথা জানিব বিচাৰিছো এই যে ৭টা চেনিকল অসমৰ বিভিন্ন জিলাত প্ৰতিস্থা কৰিবলৈ বিচৰা হৈছে সেই চেনিকলৰ প্ৰত্যেকটোৰে কাৰণে 'প্ৰোজেক্ট ৰিপোৰ্টৰ' প্ৰাৰম্ভিক কামত কিমান টকা খৰচ কৰা হব বা দৈনিক কিমান টকা খৰচ হব আৰু দ্বিতীয়তে প্ৰশ্ন হৈছে এই যে যি কেইখন ঠাই চেনিকলৰ প্ৰতিষ্ঠাৰ কাৰণে নিৰ্ব্বাচন কৰা হৈছে সেই ঠাইবিলাকত কুহিয়াৰৰ উৎপাদন বৃদ্ধি কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিছেনে ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : প্ৰথম যিটো প্ৰশ্ন মাননীয় সদস্য জনে কৰিছে তাৰ উত্তৰত কও একো একোটা চেনিকল প্ৰতিস্থা কৰিবৰ কাৰণে অতি কমেও ৪ কোটি ৫০ লাখ টকাৰ আৱশ্যক হয় আৰু দ্বিতীয় প্ৰশ্নৰ উত্তৰত কও কুহিয়াৰ খেতি সম্পৰ্কত যি কেইখন জিলাত কুহিয়াৰ কল প্ৰতিস্থাৰ কাৰণে অনুজ্ঞা পত্ৰ থোৱা হৈছে সেই কেইখন জিলাত কুহিয়াৰ খেতি সম্প্ৰসাৰণ কৰাৰ কাৰণে অসম উদ্যোগীক নিগমে কৃষি বিভাগৰ লগত যোগাযোগ কৰি আছে আৰু আমি জনা মতে কৃষি বিভাগে সেইবিষয়ে কিছু তৎপৰতাৰে অৱলম্বন কৰিছে।

শ্ৰীবদন তালুকদাৰ : অধ্যক্ষ মহোদয়, মাজে সময়ে বাতৰি কাকতত এই চেনিকল কোন কোন ঠাইত হব সেই বিষয়ে বাতৰি ওলাইছে, এই সম্পৰ্কে ঠাইবোৰ

থিক হৈছে নে নাই হোৱা ? বাতৰি ওলোৱা মতে সেই ঠাইবিলাক সত্য হয় নে নহয় ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : বাতৰি সত্য নহয় বুলি 'কণ্ট্ৰাদিকশন' কৰিলে অংকটো নিমিলিব। অসমত চেনিকল বিচাৰিছে বিভিন্ন ঠাইৰ লোকে, চেনিকল বিচাৰি বাতৰি কাকতৰ যোগেদি নিজৰ মত প্ৰকাশ কৰিছে গতিকে নিজৰ মত প্ৰকাশ কৰাতনো কি আপত্তি থাকিব পাৰে ?

শ্ৰীবদন তালুকদাৰ : এই চেনিকল সম্পৰ্কীয় বিষয়টো অকল ৰাইজৰ মত পোষণ কৰাই নহয়, চৰকাৰৰ ফালৰ পৰাই এনেধৰণৰ খবৰ বা অসম উদ্যোগীক নিগমৰ পৰাই এই সিদ্ধান্ত উল্লেখ কৰা কথা বাতৰি কাকতত ওলাইছে।

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : অসম উদ্যোগীক নিগমৰ ফালৰ পৰা কিবা খবৰ দিয়া হৈছে বুলি কোনো খবৰ আমাৰ হাতত নাই। মাননীয় সদস্য গৰাকীয়ে যেতিয়া কৈছে চোৱা হব।

Shri Dulal Chandra Barua : Sir, the Minister has stated that the sites will be selected finally by the expert committee and also the project report will be prepared by them. Now the expert committee consists of members from outside the State. Therefore, may I know from the Minister in-charge Industries whether anybody, any expert from the State has been associated in that expert committee ? If not, in what why the so called experts coming from outside the State will understand the difficulties or potentialities or otherwise in the State of Assam in setting up such industres ?

Shri Mahammad Idris, Minister : Sir, our local engineers in the A.I.D.C. have-been associated with that expert team and also this expert team discussed with all the departmental heads and officers of the concerning departments like, Agriculture. But Sir, about the feasibility report we cannot but rely on expert opinion. So the project report which will be prepared, it would surely need expert opinion, indigenous or from outside.

Shri Dulal Chandra Barua : Are we to understand that there is nobody in Assam to advise the expert committee or the Government of Assam about the potentiality of

sugar mills in the State of Assam and that is why we are to borrow expert advice from outside the State and for which we are facing a crisis in the industrial development in the State of Assam ?

Shri Mahammad Idris ( Minister ): Expert, in that sense really there is dearth of such expert in our State. One should not hesitate to admit it. If experts come from outside, our engineers or experts who are available here, they also give their opinion and fully participate with the outside experts in formulating a concentrated view.

শ্ৰীজগদীশ দাস: অধ্যক্ষ মহোদয়, মাননীয় সদস্য নগেন বৰুৱাৰ প্ৰশ্নৰ উত্তৰত কৈছে যে যি যি ঠাইত চেনিকল প্ৰতিস্থা কৰা হব সেই বিলাক ঠাইত কুহিয়াৰৰ উৎপাদন বৃদ্ধি কৰাৰ উদ্দেশ্যে উদ্যোগীক নিগমে কৃষি বিভাগক জনাইছে আৰু সেই মতে কৃষি বিভাগে যথা যথ ব্যৱস্থা হাতত লৈছে কিন্তু যিহেতু এতিয়াও কোন কোন ঠাইত চেনিকল প্ৰতিস্থা কৰা হব সেই বিষয়ে নজনাকৈ কি ভিত্তিত কৃষি বিভাগৰ লগত উদ্যোগীক নিগমে যোগাযোগ কৰিছে।

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ): মাননীয় সদস্য জনাই লক্ষ্য কৰিছে যে ৭খন জিলাত এই চেনিকল প্ৰতিস্থা কৰাৰ উদ্দেশ্যে অনুজ্ঞা পত্ৰ বিচৰা হৈছিল আৰু সেই মতে বিশেষজ্ঞ কমিটিয়ে কুহিয়াৰ উৎপাদন বৃদ্ধি কৰাৰ স্থল বিচাৰি যিবিলাক ঠাইলৈ গৈছিল আৰু সেইবিলাক ঠাইত কুহিয়াৰ উৎপাদন বৃদ্ধি কৰাৰ কাৰণে কি ব্যৱস্থা লব পাৰি সেই বিষয়েহে উদ্যোগীক নিগমে কৃষি বিভাগৰ লগত যোগাযোগ কৰি আছে।

Shri Ataur Rahman: Can the Minister assure us that unlike Dergaon, these proposed sugar mills will not contain any distillaries ?

Shri Mahammad Idris ( Minister ): This matter would be considered in a later stage, Sir.

শ্ৰীমতী ৰেৱতী দাস: অসমত কুহিয়াৰ খেতি বছৰি কিমান হয় আৰু সেই মতে ৭টা চেনিকলৰ কাৰণে কুহিয়াৰ উৎপাদন যিমান হব সিমান খিনিয়েই যথেষ্ট হব বুলি চৰকাৰে ভাবেনে ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : বিশেষজ্ঞ কমিটি যিটো আহিছিল সেই কমিটিয়ে 'টেকন' ইক'নমিক ফিচিবিলিটি হিচাবে চাৰভে কৰিছিল আৰু সেই মতে ৭ খন জিলাত যি পৰিমানৰ কুহিয়াৰৰ উৎপাদন হোৱাৰ সম্ভাৱনা আছে তাৰে সেই চেনি কল কেইটা প্ৰতিস্থা কৰিব পৰা হব বুলি অনুমান কৰা হৈছে।

শ্ৰীপ্ৰেম বৰা : যিহেতু কুহিয়াৰৰ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰিয়ে এই চেনিকল প্ৰতিস্থা কৰা হ্ব, গতিকে বিশেষজ্ঞ কমিটিৰ ৰিৰ্পোট মতে কোনোবা জিলা বাদ পৰাৰ সম্ভাৱনা আছে নেকি ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : যি ৭ খন জিলাৰ কাৰণে উদ্যোগ বিভাগে বিচাৰিছে, সেই বিশেষজ্ঞ কমিটিয়ে সেই ৭ খন জিলাহে বিচাৰিছে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যাক্ষ মহোদয়, বিশেষজ্ঞ কমিটি মানে চৰকাৰ কমিটি। এটা উত্তৰত তেখেতে কৈছে যে ইয়াৰ কাৰণে চাৰে চাৰি কোটি টকা লাগিব। আৰু টকা পালে কাম হব। আমাৰ যিটো অৰ্থনীতি, উদ্যোগনীতি, সমাজ-তন্ত্ৰৰ অৰ্থনীতিৰ ব্যবস্থা এই ভিত্তিত ইমান ডাঙৰকৈ নকৰি কম টকাৰে সৰু সৰু চেনি কলৰ ব্যবস্থাটো চৰকাৰে পুনৰ বিবেচনা কৰিব নেকি ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : পুনৰ বিবেচনা কৰি চাবৰ কোনো আবশ্যকবোধ নকৰো কাৰণ বিশেষজ্ঞ কমিটিয়ে তদন্ত কৰা মতে সৰু সৰু মিল কৰাতকৈ ডাঙৰ মিল কৰাই ভাল বুলি জনায়। মাননীয় সদস্য গৰাকীয়ে যেতিয়া কৈছে খানচাৰী মিলৰ কথা তেখেতে যদি তেখেতৰ জিলাত নাইবা আন কোনোবা জিলাত কোপাৰিটিভ ভিত্তিত এই মিলৰ কথা ভাবিছে, আগবাঢ়ি আহিলে আমি স্বাগতম জনাইছো।

শ্ৰীসোনেশ্বৰ বৰা : এই যে খানচাৰী চেনিকলৰ কথা কোৱা হৈছে, এই চেনি কলৰ ব্যবস্থা হলে অসমৰ বহুতেই বহু ঠাইত পাতিব। কিন্তু এই চেনিকলৰ চেনি বিলাক পনীয়া অৰ্থাৎ বেয়া হয় বুলি বিশেষজ্ঞ কমিটিয়ে অৰ্থাৎ ইয়াত থকা বাহিৰা মানুহ বিলাকে অপপ্ৰচাৰ কৰিছে বুলি মন্ত্ৰী মহোদয়ৰ জনা আছে নেকি ? কাৰণ খানচাৰী চেনিকলত থলুৱা মানুহৰ বাহিৰে আনে সুবিধা নাপায়।

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) : বৰ্ত্তমান দৰং জিলাৰ মহকুমা তেজপুৰত খানচাৰী ইউনিটৰ কাম চলি আছে। এনেধৰণৰ অপপ্ৰচাৰ—সৰু সৰু চেনিকলত চেনি যে পমি যায় সেইটোৰ খবৰ আমি জনা নাই।

... মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত যে সাতটা চেনি কল পতাৰ ব্যৱস্থা কৰিছে তাত চেনিৰ বাহিৰে যিবিলাক বাইপ্ৰডাক্ট হব তাৰ পৰা আনধৰণৰ অৰ্থাৎ লজেন্স, মিঠাই আৰু অন্যান্য কিছুমান উদ্যোগ গঢ়ি উঠিব পাৰে। তেনে ভিত্তিত এই কথা বিলাক এই মিল বিলাকৰ ক্ষেত্ৰত বিশেষজ্ঞ কমিটিয়ে বিবেচনা কৰি চাইছে নেকি?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো দ্বিতীয় পৰ্য্যায়ত নিশ্চয় চৰকাৰে বিবেচনা কৰিব। যিকেইটা চেনিকল প্ৰতিষ্ঠা হব সেইবিলাকত এনচিলোৰ প্ৰডাক্ট তৈয়াৰ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হব।

শ্ৰীজগদীশ দাস: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে আমাৰ অসমত ৭টা চেনিকল হব। কিন্তু মই জানিব পাৰোনে কিমান থলুৱা মানুহে ইয়াত কাম পাব?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, থলুৱা লোকে চাকৰি পোৱাৰ আশা কৰিয়েই এই উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছে। এই একো একোটা চেনি কলত, মেনেজাৰিয়েল আৰু চুপাৰ ভেজাৰিয়েল ষ্টাফত ৬৭ জন, কেৰানী আৰু টেকনিকেল হিচাবে ৬৪ জন মানুহৰ আৱশ্যক হব। ৪৯৫ জন পৈনত আৰু অপৈনত শ্ৰমিকৰ আবশ্যক হব। মুঠতে ৬২৬ জন মানুহৰ আবশ্যক হব।

শ্ৰীলক্ষী শইকীয়া: এই যে ৭ টা চেনিকল ইতিমধ্যে প্ৰতিস্থা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে, সেই চেনিকল কেইটা কি ভিত্তিত হব? সমবায় ভিত্তিত নে ৰাজ্যিক ভিত্তিত নে কেন্দ্ৰীয় ভিত্তিত? আৰু এই কেইটা চেনিকল পাচবছৰীয়া পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰে অন্তৰ্ভুক্ত কৰিছে নেকি?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী): খণ্ডৰ ক্ষেত্ৰত কোনো বিজিডিচি নাই। আমি সমবায় ভিত্তিত কৰিব পাৰিলে বেচি ভাল হয়। কাজেই আমি লাইচেঞ্চ পোৱাৰ পাচত থিক কৰিম। ৰাজ্যিক খণ্ডত কৰিম নে সমবায় ভিত্তিত কৰিম।

শ্ৰীউপেন সনাতন: এই যে ৭ টা চেনিকল পাতিব ওলাইছে, কোন কোন জিলাত কৰিব?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই কল ডিব্ৰুগড়, দৰং, নগাওঁ, গোৱালপাৰা, কামৰূপ, মিকিৰ পাহাৰ আৰু লক্ষীমপুৰ জিলাত পতা হব বুলি বিবেচনা কৰা হৈছে।

শ্ৰীলক্ষী শইকীয়া ঃ ৫ বছৰীয়া পৰিকল্পনাৰ অন্তৰ্ভূক্ত হৈছে নে নাই ?

শ্ৰীমহম্মদ ইদ্ৰীচ ( মন্ত্ৰী ) ঃ চেনি কলকে আৰম্ভ কৰি এই সকলো বিলাক ৫ বছৰীয়া পৰিকল্পনাৰ অন্তৰ্ভূক্ত কৰা হৈছে ।

**Re : Eradication of poverty and unemploment.**

Shrimati Renuka Devi Barkataki asked :

*70. Will the Chief Minister be pleased to state :

(a) The progress of nine point time bound schemes announced by the Chief Minister to eradicate poverty and unemployment in the State ?

(b) What is the total amount spent uptil now against this programme ?

(c) What are the schemes taken now ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

(a), (b) & (c)—The Ninepoint schemes coverd programmes under Land Reforms, Agricultural Development Village and Small Scale Industries, Rural Electrification, Afforestation and Soil Conservation, Housing, Compulsory Primary Education, setting up of Middle and High Schools and of Model Schools at the rate of one per Sub-division. There has been considerable progress in the implementation of all these programmes during 1972-73 and 1973-74, excepting for the setting up of a Model High School in each Sub-division which is proposed to be taken up during Fifth Plan period by the education Department. The money spent so far on these programmes is indicated below :—

(Rs. in crores)

| | Expndr. (1972—74) | Fifth Plan outlay proposed |
|---|---|---|
| 1. Land Reforms | 0.46 | 2.65 |
| 2. Agricultural Development | 4.29 | 32.40 |

| | | | |
|---|---|---|---|
| 3. | Village and Smal Scale Industries | 2.28 | 10.30 |
| 4. | Rural Electrification | 3.00 | 42.00 |
| 5. | Afforestation and soil Conservation | 1.72 | 7.96 |
| 6. | Housing | 0.6 | 2.90 |
| 7. | Compulsory primari Edn. | 1.44 | 11.56 |
| 8. | Middle and High School | 1.68 | 11.00 |
| 9. | Model High School | Nil | 1.00 |
| | Total :– | 15.47 | 121.77 |

Shrimati Renuka Devi Barkataki : Sir, the Chief Minister has said that during 1972-74 an amount of Rs. 15.47 crores of rupees have been spend on these schemes. May I know from the Chief Minister in concrete terms as to the locations of the schemes, how many persons employed and what is the impact of poverty so far as the schemes are concerned ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, the schemes which have been launched have a certain background and this background must be first understood to understand the implication of the schemes and the impact that has been produced on the people. This is, in a way, to implement the election manifesto. Assam Congress Legislature Party took a resolution on the 26th April, 1972 outlining the urgency and necess.ty to eradicate unemployment and poverty within the shortest possible time. On the basis of this resolution which has been accepted by the State Government a number of schemes have been drawn up and this would require expenditure as indicated Sir, as a matter of fact these is not only the 9-scheme programme, these is a number of other schemes. In cruse of progressive steps, if any other schemes have been taken up. The financial position of Assam is extremely weak due to the low rate of economic growth which has inhibited the growth of public revenues. Except, therefore,

the amounts that may be available to the State from the Bank and other Financial Institutions, the rest of the amount would have to be made available mainly by the Central Government since the scope of outlay within the ambit of the 4th Plan is extremely limited. Immediately after the new Government was formed, these schemes were formulated. These are not the only schemes. It is just a start and subsequently many other schemes were also formulated This is a process to remove the poverty, to remove the inequality and to give employment to the unemployed. Now, let us consider Land Reform, in the year 1972-74 only Rs. 46 lakhs have been spent. In Land Reform, the Ceiling Act has been passed and the process has started though we have not been able to make much headway. We have, however, done something and this has incurred this expenditure Similarly, in Agricultural Development also we have spent some money to implement some schemes on agriculture. The scheme is not a static thing. It is just the starting and we are taking up more and more with the object of removing poverty and inequality. As a matter of fact, with more schemes we are moving to the 5th plan more schemes are included in the 5th Plan. This is a process. It is not a static thing. It has given rise to a dynamic thinking. We are at the thresh of the 5th plan in which such schemes have been included.

Shri Gaurishankar Bhattacharyya : Sir, so far as the question (c) is concerned, it was, 'What are the schemes taken now'? The Chief Minister has already replied that in Agricultural Development and Village Industries along 657 lakhs of rupees have been spent. We want to know what are the agricultural development schemes, in concrete terms, in which place what agricultural farms and what Village Industries have been taken up for which 657 lakhs of rupees have already been spent.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, this will

be a long list and if the Hon'ble Members want I can submit the list of schemes.

Shri Gaurishankar Bhattacharyya : That list on which this money has been spent—we want that list.

Shri Sarat Chandra Sinha ( Chief Minister ) : I will give.

Shri Dulal Chandra Barua : Sir, the Chief Minister has stated that an amount has been spent on the Housing Schemes. May I know from the Hon'ble Chief Minister what are those Housing schemes for which this amount has been spent ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, this will be a very long list. I have not brought the list with me now. As the Hon'ble Members want it, I will submit the list.

Shri Giasuddin Ahmed : Sir, the Hon'ble Chief Minister has said that Housing Scheme is one of the schemes taken up to eradicate poverty. May I know the amount of money surrendered during the last two years under the head 'Rural Housing Scheme' ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is not with me.

Shri Dulal Chandra Barua : The Chief Minister has stated that amount has been spent on land reform. May I know from the Hon'ble Chief Minister whether any single settlement has so far been given to any of the cultivators till today ?

Shri Sarat Chaidra Sinha (Chief Minister) : Sir, if a specific and precise question is put, then the answer will be 'No'. But then, Sir, as a matter of fact the process of rehabilitating the land less people have been started. We have started a Farming Corporation and there only the landless people have been rehabilitated.

Shri Dulal Chandra Barua : Where ?

Shri Sarat Chandra Sinha ( Chief Minister ) : By the Farming Corporation.

Shri Dulal Chandra Barua: In the air?

Shri Sarat Chandra Sinha (Chief Minister): It is not in the air, it is on the ground. It has been started.

Shri Gaurishankar Bhattacharyya: We want to know the ground.

Shri Sarat Chandra Sinha (Chief Minister): A Farming Corporation we have started.

Shri Dulal Chandra Barua: Where?

Shri Sarat Chandra Sinha (Chief Minister): We have started at Panbari, Bahalpur.

Shri Dulal Chandra Barua: How many people have been rehabilitated there?

Shri Dulal Chandra Khaund: Sir, we are glad to have a lesson on economics from the Chief Minister. May I know how many families are affected by Farming Corporation and how many families are rehabilitated uptil now?

Shri Sarat Chandra Sinha (Chief Minister): Sir, this is a new question and I have not come prepared for this. I can, however, assure the House that the Farming Corporation has been started, the landless Farmers have been allotted land and they have started production.

Shri Dulal Chandra Barua: Sir, the Chief Minister is giving the statement on behalf of the Government. I want to know where the production has taken place and how many people are rehabilitated. Are we to understand that the production has taken place and rehabilitation has taken place in that area?

Shri Sarat Chandra Sinha (Chief Minister): I have already said that Farming Corporation is 'on the ground' and it is in Panbari.

Shri Gaurishankar Bhattacharyya: Sir, let us take Bahalpur. I request the Chief Minister most humbly to give a concrete figure of Bahalpur Farm; what are the materials

which have been produced in Bahalpur Farm, what are the total quantities ?

Shri Sarat Chandra Sinha (Chief Minister): That has not gone into production.

Shri Dulal Chandra Barua: Sir, the Chief Minister has said that it has gone into production.

Shri Sarat Chandra Sinha (Chief Minister): Sir, I am very sorry the Hon'ble Member should not distort my statement. I have said that the Farming Corporation has gone in production—I have said that, Panbari has gone in production and I have said that for Bahalpur selection of scope farmes has been made.

Shri Gaurisankar Bhattacharyya: Alright let us take Panbari. As the Chief Minister is repeating again and again about Panbari. Let us have the figures of Panbari. What are the materials—what are the crops which have been produced what is the quantity and what is the price ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, I want a seperate question.

Shri Dulal Chandra Barua: This is coming out of the supplementary. We want to know how many families have been rehabilitated there at Panbari ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, this embraces the entire economic policy of the Government and how can I answer this without notice.

Shri Gaurisankar Bhattacharyya: We want to see it, because sufficient notice was given an to know what are the schemes which have taken place there. Now, if the schemes have really taken place when we want to know what the schemes and what are their performances ?

Shri Sarat Chandra Sinha (Chief Minister): All right Sir.

Shri Dulal Chandra Khound: The Chief Minister has stated that the schemes have already taken place and I don't

doubt the ideads of the Chief Minister about the schemes. He also read out the resolutions of the Congress Party. Ideas are very good. Now, may I know from the hon'ble Chief Minister how many persons were employed - how many lendless peasants were embraced by this scheme so far ? I think it is very much related to this question and it connot be a separate question.

Shri Sarat Chandra Sinha (Chief Minister) : I cannot give the figurs Sir. So far as Mr. Khound's question is concerned the number could be furnished. So far as others are concerned, I have said Sir, that the process has started to give land to the landless people but we have not been able to complete it yet.

Shri Giasuddin Ahmed : May I know whether largescale eviction of landless people will be included in the scheme of land reforms ?

Shri Sarat Chandra Sinha (Chief Minister) : No Sir.

Shri Dulal Chandra Barua : As he is not in a position to given the actual picture of the schemes are we understand that the schemes have found place only on the paper ?

Shri Sarat Chandra Sinha (Chief Minister) : It will be absolutely wrong to say so Sir. I have already said that the names of the schemes will be given in due course.

Shrimati Renuka devi Borkotoki : Sir, the question was very specific. We wanted to know what is the progress made about the schemes ? What is the names of the schemes etc. The Chief Minister was pleased to say that 15 and odd crores of rupees have been spent for it. But I am sorry to say that in my constituency not a love touch of it was seen.

মোৰ সমষ্টিত এই আচনি বিলাকৰ মৰমৰ পৰশ ( love touch ) অকনো পৰা নাই। এই আচনিবিলাক ক'ত কৰা হৈছে, কিমান নিবনুৱাৰ সংস্থান হৈছে, কিমান টকা খৰছ কৰা হৈছে এই বিষয়ে আমাক খৰছি মাৰি জানিবলৈ দিলে ভাল হয়।

Shri Sarat Chandra Sinha (Chief Minister) : I have said what I have to say Sir.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : চাৰ, আপোনাৰ পৰা এটা ডিৰেকচন বিচাৰিছো। এই প্ৰশ্নটোৰ নোটিশ বহুতদিন আগতেই দিয়া হ'ল মুখ্যমন্ত্ৰীয়ে হিচাবপত্ৰ বহুত গালে, কিমান খৰচ হ'ল ইত্যাদি। কিন্তু কিমান মানুহক মাটি দিয়া হ'ল, নিবন্নুৱা সমস্যা সমাধান কিমান হ'ল তাৰ হলে উত্তৰ দিব পৰা নাই। তেখেতে প্ৰশ্নটো'ৰ কংক্ৰিট উত্তৰ দিব পৰা নাই।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : মই প্ৰশ্নটোৰ স্পষ্ট উত্তৰ দিছো। ইয়াত ১৫ কোটি ৪৭ লাখ টকাৰ কথা আছে। তাৰ হিচাব বা আচনি দিবলৈ এখন দীঘল লিষ্ট দিব লাগিব। কিন্তু "মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰো" কথাটো নিতান্ত অন্যায় কথা। যদি সদনে বিছাৰে, তেনেহলে তেনে বিবৰণ দিব পৰা হব বুলি মই আগতে কৈছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মুখ্যমন্ত্ৰীয়ে বহলপুৰত কৃষি নিগম হোৱা বুলি কেনেকৈ কলে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : বহলপুৰত কৃষি নিগমৰ কাৰণে সদস্য সকলৰ নাম চিলেক্ট কৰা হৈছে।

## Re : Purchase of land by A. I. D. C.

Shrimati Renuka devi Borkotoki asked :

*71. Will the Minister, Industries be pleased to state—

(a) Whether Assam Industrial Development Corporation has purchased a plot of land on G. S. Road, Gauhati ?

(b) If so, what is the total valuation of the land paid to the owner of the land ?

(c) Whether it is a fact that at the time of negotiation to purchase the land there was a mutation case on this plot of land pending in the Court ?

Shri Mahammad Idris ( Minister Industries ) replied :

(a) Yes.

(b) Rs. 1,86,500 ( Rupees one lakh eighty six thousand and five hundred only ).

(c) Yes ; but the case was disposed of before the sale deed was registered.

Shrimati Renukadevi Borkotoki : When the Sale Deed was registered and when the case was disposed of ?

Shri Mahammad Idris ( Minister ) : Sir, the Sale Deed was registered on 17.7.73. Before the Sale Deed was registered its mutation was allowed.

Shrimati Renukadevi Borkotoki : On which date ?

Shri Mahammad Idris ( Minister ) : On 17.7.73.

Shrimati Renukadevi Borkotoki : On the same day ?

Shri Mahammad Idris : Yes.

Shrimati Renukadevi Borkotoki : I would like to ask the Minister that on the same day after the Sale Deed was registered the judgement on the mutation case was given. How it was possible to pursuade the matter to end the dispute ?

Shri Mahammad Idris ( Minister ) : Mutation is not a bar to purchase land. In this case mutation was allowed after the sale deed was registered.

Shri Dulal Chandra Barua : Who was the owner of the land ?

Shri Mahammad Idris ( Minister ) : The owner was Mrs R. Choudhury and Mr. M. Choudhury.

Shri Dulal Chandra Barua : Whether she is the wife of Ex-Minister Shri Moinul Haque Choudhury ?

Shri Mahammad Idris : Yes.

Shri Dulal Chandra Barua : When lands at lower cost was available why this particular land was purchased with higher price ? Is it due to highhandedness of the authorities ?

Shri Mahammad Idris (Minister): I absolutely deny about the highhandedness of any person. This was finalised by the Corporation after due consideration as they found this plot to be useful to them.

Mr. Speaker : The Question Hour is over.

Shri Dulal Chandra Barua : Sir, this question should be kept pending.

Mr. Speaker : Alright. This is kept pending.

## Undisposed Starred Questions dt. 12-2-74.

### Re : দৰং জিলাৰ Additional S. P.

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে :

*৭২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এইটো কথা সচাঁনে দৰং জিলাৰ Additional S. P. যে তেখেতৰ কৰ্ত্তব্যৰ মাজতে কোনো চৰকাৰৰ হুকুম নোহোৱাকৈ যোৱা নবেম্বৰ মাহত চৰকাৰী জীপেৰে হাফলংলৈ বিয়া কৰিব যায় ?

(খ) যদি সচাঁ হয় এনেকুৱা এজন উচ্চ বিষয়াই কোনো বিভাগীয় হুকুম নোহোৱাকৈ কৰ্ত্তব্যৰ পৰা আতৰি থকাৰ কাৰণ অনুসন্ধান কৰিছেনে ?

(গ) যদি কৰিছে কি কৰিছে জানিব পাৰোনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) তেতিয়াৰ দৰং জিলাৰ অতিৰিক্ত আৰক্ষী মঃ নুৰুল আমীৰ কবিৰে ১৯৭৪ চনৰ ২০ আৰু ২১ নবেম্বৰত মুখ্য কাৰ্য্যস্থানৰ পৰা ব্যক্তিগত কাৰণত হাফলংলৈ যোৱাৰ বাবে জিলা আৰক্ষী অধীক্ষকৰ পৰা দুদিনৰ ছুটি লয়। তেওঁ জিলা আৰক্ষী অধীক্ষকৰ অনুমতি ক্ৰমে উক্ত কাৰণত নিজা খৰচত চৰকাৰী জীপ হাফলংলৈ নিয়ে। তাৰ বাবদ ৩।১২।৭৩ তাৰিখে তেওঁ ৩৮৬.২৫ পইচা তেজপুৰ কোষত জমা দিয়ে।

(খ) আৰু (গ) প্ৰশ্ন নুঠে।

## বিষয়—গোলাঘাটৰ শ্ৰীডিম্বেশ্বৰ শইকীয়া আৰু শ্ৰীঅতুল শইকীয়াৰ গ্ৰেপ্তাৰ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ৭৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ৬।১১।৭২ তাৰিখে গোলাঘাট চক বজাৰত শাক-পাচলি আৰু তামোল পানৰ বজাৰ কৰি থকা অৱস্থাৰ পৰা গোলাঘাট পুলিচ থানাৰ অ, চি, য়ে মাতিছে বুলি জনৈক পুলিচ চিপাহীয়ে শ্ৰীডিম্বেশ্বৰ শইকীয়া আৰু শ্ৰীঅতুল শইকীয়া নামৰ লৰা দুজনক মাতি আনি গোলাঘাট থানাত গ্ৰেপ্তাৰ কৰি হাজোতত বাখি দিয়া সঁচানে?

could shift the capital within such a short time. But then what we left there ? Crores and Crores of rupees worth properties and buildings and other materials. Is the Government in a position today to tell us what will be the value of those properties ? We do not know what will be the value of those buildings. So far as I remember in the North Eastern Reorganisation Act it has been mentioned that cost of construction of capital for Meghalaya will be borne by Government of India. Now the buildings which belongs to the Government of Assam are going to be utilised by the Meghalaya Government that is union Government is not to pay a single farthing for the construction of buildings for the Meghalaya capital. They are utilising our buildings and thereby we are going to incur a huge loss to the tune of several crores of rupees. The Government of India is not going to reimburse the amount. Our Government is not a position to tell us how much money we are going to have from the union Government for construction of our permanent capital. Also our Government is not in a position to tell us where will our permanent capital be located. Therefore, Sir, I apprehend that the dream of having a beautiful permanent capital, a new city will remain a dream for ever. Because in this most important Address by the Governor no mention has been made about it. Then again Sir, there are other matters.

Dr. Das has mentioned what will be the fate of the Assam Government employees who are now in Meghalaya and Mizoram. We have personal experience about the hard conditions in which these employees are working in these two states. I do not like to go into the details as to how these people are working there, in what way they are living, how they are being treated, what amenities they are getting. If I describe these things in

detail then it may not be welcome in many quarters particularly in these two states. That is why I do not like to go any further. The Government of Assam has a duty to do something for these unfortunate employees serving in the high hills in Mizoram and in Meghalaya. This problem should be studied thoroughly and some measures should be taken so that they can be brought back to the parent State and absorb them here. Nothing has been mentioned about this in the Governor's address. I would like to tell the House with anguish about another important matter which has been omitted from the Governor's address, of course quite naturally and quite expectedly these things have been omitted from the address, and never I read about this problem being mentioned in any of the Governor's address during the last 26 years. That is the problem concerning the minority community of the State of Assam. Nobody speaks anything about them. Our national press is absolutely silent about these people and our Hon'ble Members of this House quite a good number of whom belong to this community are all quite silent about this problem. With anguish I should tell the House that the injustice that has been done to these people is beyond description. This minority community all over India is living under the shadow of death economically and culturally. With great pain I am to say that Assam is not an exception. In different fields of life, in education, in employment, in agriculture, in land reform measures, in every field these people are being deprived and it appears from the activities of the Government, from the activities of different departments of the Government that there has been a calculated pre-planned move rather a conspiracy to suppress this community, to ruin this community culturally and economically. I want to cite certain instances how these people are being treated. There is a proposed reserve it is not reserve, it is proposed. These are fellow lands without any valuable trees. Several thousand people

encroached into that plot in the district of Goalpara within the constituency of Shri Dhruba Narayan Barua, General Secretary of the Congress just near Abhayapuri, the constituency of Shri Ayodhya Ram Das, M. L. A., These encroachers came from different sections of the people. There are Nepalis, there are Garos, there are displaced persons from Bangladesh, there are Muslims also and as a principle, I would like to say that all these people should be settled because all of them are landless they should not be evicted. That is the principle I would advocate, but then if they are encroachers, if they are to be evicted all of them should be treated as encroachers and all of them should be evicted. But why the Muslims have been singled out. Nepalis have allowed to settle there, Garos have been allowed to settle there, displaced persons have been allowed, only Muslims have been mercilessly evicted. I can make a challenge.

Shri Sarat Chandra Sinha (Chief Minister): Sir, this is a wrong statement.

Shri Giasuddin Ahmed: If you permit me, Sir, I can show the documents afterwards. The documents are of course not here now. In this way Muslims have been picked out, their houses have been burnt down and they have been kicked out I did not expect such things during the regime of this Hon'ble Chief Minister, Shri Sarat Chandra Sinha. Then there are other instances. What happens in the char area of Hajo Circle. About 3000 Muslims living in the Char areas living in a precarious condition for a morsel of food have been evicted without making any alternative arrangement. In Morigaon Sub-division also similar instances have taken place. Law is equal to all. Every citizen of the country irrespective of caste and creed should be treated equally. But why this discrimination I would like to ask. Then I come to the question of employment and I would like to quote certain figures. One fourth of

the population of the state about 36 lakhs of these people are a great political force, these unfortunate people who created many great leaders although I would say all reactionary leaders right from Sir Syed Saadulla down to Moinul Haque Choudhury these are the people who created the reactionery leaders who never tought of these teeming millions.

To-day also there is a galaxy of Ministers from amongst this community. But what is the employment position ? Sir, I would like to quote figures. This community constitutes 25% of the total polulation. Out of 13 Deputy Commissioners there is only one from amongst the Muslims, out of 22 Sadr. S. D. Os there are only 2 Muslims, out of 8 Settlement Officers not a single is a Muslim, out of 12 Superintendents of Police not a single is a Muslim and none of the S. D. P. Os is a Muslim. Sir, in the Directorate of Housing there are 180 employees but not a single is a Muslim In the Khadi and Village Industries Commission there is not a single Muslim employee and out of the Inspectors of Schools not a single is a Muslim, and there is not a single Asstt. Inspector of Schools from the Muslim community. These are only a few instances. Sir, in the Police Department the Muslims are treated as out-caste and undesirable. What happened in the Health Department in Dhubri ? The Civil Surgeon there has started a jehad, so to say, against the Muslim employees and all the Muslim Vaccinators have been retrenched. At Kokrajhar under National Malaria Eredication Programme all the Muslim surveilance workers have been retrenched and nobody, including the Muslim representatives sitting in the Treasury Bench did not utter word of objection. But at the time of the last general elections helicopters were flying over the Char area for their votes and after taking their votes, these people have been completely forgotten. What are these people ? Are they

above the poverty line? Are they very rich people? Definitely not.

Now, Sir, under the half-a-million job programme, I appreciate the stand of the Government that the scheduled caste and scheduled tribes and other backward communities should be given preference and that their rights should be safeguarded. I am at one with this idea and I support the stand. But I would like to speak something about Dhubri Sub-Division. In Dhubri Sub-Division the total scheduled caste population is only 35,000 constituting 4.95% of the total population. The plains tribal population is about 20,000 which constitutes less than one percent of the total population. The Muslims constitute 65% of the total population and the caste Hindus 10%, they together constitute 75% of the total population, and the scheduled castes, scheduled tribes and other backward communities together constitute only 25%. Now, a policy has been adopted that 60% of the posts should be reserved for the scheduled caste, scheduled tribe and other backward communities. The position in Dhubri Sub-Division stands thus: 60% of the posts are reserved for 25% of the population and 40% posts are kept for 75% of the total population. In this connection I would like to suggest that the word "Backward" should be properly defined. Should it be interpreted on communal line or on the basis of economic backwardness of the population? If the backwardness is taken then perhaps a major portion of the Muslim population can be taken as other backward communities. Nobody knows what is their plight. Large section of this population are living in a horrible condition. The immigrant Muslims are affectionately called 'Na-Asamya' but I would like to call them Negros of Assam. A few of our leaders have any idea about these people. Sir, 20 lakhs of them are living in the Char area right from Sadiya down to Dhubri. Sir, do you know

how many high schools have been set up for these people ? As far as I know there is only one High School for 20 lakhs of people and that school I have set up in my own constituency in the Char area of Dhubri Sub-Division. If there are more schools, the Education Department will enlighten us, Do you know how many dispensaries are there for these people ? Not a single and there is only one subsidised dispensary and that is also without any Doctor, Compounder and Medicine.

Shri Syed Ahmed Ali : Whether the Hon'ble Member is talking about his own constituency or about the whole of Assam ?

Shri Giasuddin Ahmed : I am speaking about Assam as a whole.

Shri Syed Ahmed Ali : Does the Hon'ble Member know how many schools are there in South Salmara alone ?

Shri Giasuddin Ahmed : The entire South Salmara is not Char area. I am talking of Char area. I have also said that if there are more schools, perhaps the Education Department will enlighten us on this point.

About the percentage of literacy, I have surveyed a small area because we have no chance to know the actual position. Even if we put questions, that is disallowed. Any way the percentage of literacy is the lowest. Out of 1.000 people I got only 20 literate persons. What is the percentage ?

That is the position regarding education. Sir, these problems have given rise to political problems. The communal amongst the Muslims elements have taken this as a handle to organise a communal organisation. That is a very bad sign Sir, I want to tell this House.

Mr. Speaker: Please conclude.

Shri Giasuddin Ahmed: One minute Sir, Scheduled Caste people are organised to have their demands fulfilled ; the

backward communities are organised to get their demands fulfilled and all other communities are organising and agitating for their demands. The muslims are also going to be organised amongst themselves to get their demands fulfilled. But this is a wrong approach to the problem. These problems have given rise to communal organisation and I denounce it. That is not the way of solving the problem. I say that all the have-nots of different communitis, irr-espective of caste and creed race and language who have been deprived should be combined, should be united and launch a united struggle for betterment of all. That is the way. Any way Sir, the Government should be conscious about these things. Government should be conscious about these things. Government should take the right decision at the right time. Delay may be disastrous. Thank you Sir

ডাঃ ৰবীন গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ অনা হৈছে তাক মই সমৰ্থন কৰিছো। লগতে এই কথাটোও মই স্পষ্ট ভাবে কব খুজিছো যে, ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ কেইবাটাও জৰুৰী বিষয়ৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰা হোৱা নাই। মহোদয়, এইবাৰ গণৰাজ্য দিৱস উপলক্ষে জাতিৰ উদ্দেশ্যে দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীভি, ভি, গিৰিয়ে কৈছিল :

"The phenomenon of a growing and crushing price rise has resulted in unsettling in a variety of ways the normal life of the community and has imposed hardship as seldom known before. When we see that almost 40% of our population continues to live below the poverty line, we realise the inadequacy of our performances and achievements."

ৰাষ্ট্ৰপতিৰ ভাষণত যি গভীৰ উদ্বেগ প্ৰকাশ পাইছে, আৰু সেই ব্যৰ্থতাৰ কথাকে স্বীকাৰ কৰি যি সত্যতা প্ৰকাশ পাইছে আমাৰ ৰাজ্যপালৰ ভাষণতো সেই একে উদ্বেগ আৰু সততাকে দেখা পাম বুলি ভাবিছিলো। ৰাজধানী স্থানান্তৰ আৰু নিৰ্মাণ অতি কম সময়ৰ ভিতৰতে কৰি ১৯৭৪ চনৰ জানুৱাৰী মাহৰ

২৬ তাৰিখে দিচপুৰত অসমৰ অস্থায়ী ৰাজধানী ঘোষণা কৰাতো নিঃসন্দেহে অভিনৱ পৰ্যায়ৰ ঘটনা। এই কামৰ লগত জড়িত সকলো ব্যক্তিকে মই মোৰ আন্তৰিক অভিনন্দন জনাইছো। এইখিনিতে মই মাত্ৰ দুটা কথা উনুকিয়াব খুজিছো যে, শিলঙত থকা আমাৰ এ, জি কাৰ্য্যালয়ৰ অসমৰ শাখাতো গুৱাহাটীলৈ নমাই অনাৰ ক্ষেত্ৰত অযথা পলম কৰা হৈছে। এই ক্ষেত্ৰত অসম চৰকাৰে অধিক দৃঢ়তাৰে আৰু অতি সোনকালে এই কাৰ্য্যালয় গুৱাহাটীলৈ নমাই অনাৰ বাবে মই দাবী কৰিলো। ইতিমধ্যে নগালেণ্ড চৰকাৰে তেওঁলোকৰ কাৰ্য্যালয় স্থানান্তৰ কৰিছে আৰু ত্ৰিপুৰা চৰকাৰেও কৰিছে। দ্বিতীয়তে আমাৰ স্থায়ী ৰাজধানী স্থান নিৰ্ণয় কৰিবৰ কাৰণে এটা বিশেষজ্ঞ কমিটী গঠন কৰি দিয়া হৈছিল। এই ক্ষেত্ৰত আমি এটা অভিযোগ শুনিবলৈ পাইছো যে, যিবোৰ দাতা আৰু তথ্যপাতিৰ ওপৰত ভিত্তি কৰি ৰাজধানীৰ স্থানান্তৰ কৰিবৰ কাৰণে প্ৰতিবেদন তৈয়াৰ কৰিছিল, সেই তথ্য পাতি থকা ফাইলটো বোলে এতিয়া অন্তৰ্ধান হৈছে। গতিকে বিশেষজ্ঞ কমিটীক সময়মতে অসম চৰকাৰে প্ৰয়োজনীয় তথ্যপাতি যোগান ধৰিব পৰা নাই। মই এই বিষয়টোৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয়ৰ তীব্ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু লগতে দাবী জনালো যে, স্থায়ী ৰাজধানীৰ স্থান অতি সোনকালে ঘোষণা কৰিব লাগে।

অধ্যক্ষ মহোদয়, সীমা বিবাদৰ ক্ষেত্ৰত আমি এটা কথা গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছো, সেইটো হৈছে যে, অলপতে হৈ যোৱা মেঘালয়ৰ বিধান সভাত মেঘালয়ৰ মুখ্যমন্ত্ৰী উইলিয়াম চন চাংমাই ঘোষণা কৰিছিল যে, গোৱালপাৰাৰ কিছুমান অঞ্চলৰ লোকে মেঘালয়ৰ অন্তৰ্ভুক্ত হব বিচাৰিছে, তেখেতে সেই বিষয়ে অসম চৰকাৰৰ আগত উতথাপন কৰিব। মহোদয়, এইখিনিতে এটা নীতি আৰু আদৰ্শৰ প্ৰশ্ন জড়িত হৈ আছে। সেইটো হল নিৰ্দ্দিষ্ট সীমাৰেখাৰ ভিতৰত থাকি এখন ৰাজ্যৰ সীমামূৰীয়া অঞ্চল আন এখন ৰাজ্যলৈ হস্তান্তৰ কৰিবৰ কাৰণে মুকলি কৰি ৰখা নহয়। আৰু তেনে হস্তান্তৰৰ কোনো ব্যৱস্থাও নাই। সেই ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিবলৈ হলে সীমা-মূৰীয়া অঞ্চলসমূহৰ হস্তান্তৰ আৰু বিনিময় কোনোদিনে কেতিয়াও অন্ত নপৰিব। অসমত যেতিয়া বিভাজন হৈছিল, সেই বিভাজন সাম্প্ৰদায়িক ভিত্তিত হোৱা নাছিল। সেইকাৰণে ইতিমধ্যে হৈ যোৱা অসমৰ বিভাজন যাতে ভৱিষ্যতে সাম্প্ৰদায়িক ৰূপ ধাৰণ কৰিব নোৱাৰে তাৰ প্ৰতি সৰ্তক থাকিবলৈ

মই ৰাজ্যিক চৰকাৰক সকিয়াই দিছো। ১৯৭৩-৭৪ চনত অসমৰ আইন শৃংখলাৰ পৰিস্থিতি সন্তোষজনক আছিল বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। এইখিনিতে ১৯৭৩ চনৰ ২১ এপ্ৰিল তাৰিখে মোৰ নিজা সমষ্টি তেজপুৰত হোৱা ঘটনাৱলীৰ বিষয়ে এটা দিশৰ প্ৰতি মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। ঘটনা ঘটিছিল ২১ এপ্ৰিল তাৰিখে। কিন্তু ৯ এপ্ৰিল তাৰিখে এল, এম, আৰ, চিয়ে ঘোষণা কৰিছিল যে, সমগ্ৰ ৰাজ্য জুৰি ২১ এপ্ৰিল তাৰিখে দাবী দিৱস পালন কৰিব। অৰ্থাৎ সৰ্তক মূলক ব্যৱস্থা লবৰ কাৰণে চৰকাৰে যথেষ্টখিনি সময় পাইছিল। ইয়াৰোপৰি ১৪ এপ্ৰিল তাৰিখেই কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয় অশান্তিকৰ পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনা দেখি ৰাজ্যিক চৰকাৰক সৰ্তক কৰি দিছিল আৰু পৰিস্থিতিৰ প্ৰতিবেদন বিচাৰিছিল। ১৯ এপ্ৰিল তাৰিখে দৰং জিলাৰ এচ, পিয়ে বিশেষ বেতাৰ বাৰ্তা পঠিয়াই তেতিয়াৰ চি, আই দি বিভাগৰ যি জন দি, আই, জি আছিল তেওঁৰ পৰা চৰকাৰৰ স্পষ্ট নিৰ্দেশ বিচাৰিছিল। এইটো ঘটনা সম্পৰ্কত দি, আই, জি আৰু চি, আই, দি বিষয়া সজাগ সচেতন থাকিব লাগিছিল। কিন্তু এচ, পিৰ পৰা খবৰ পোৱাৰ পিছতো কোনো ব্যৱস্থা নললে আৰু কোনো বিশেষ নিৰ্দ্দেশ নপঠিয়ালে। মই ভাবো এই বিষয়াজনৰ এই কাৰ্য্য চৰম দায়িত্ব-হীনতাৰ পৰিচায়ক। অকৰ্মন্যতা স্বেচ্ছাকৃত কৰ্তব্য চ্যুতিৰ বাবে শাস্তি বিহাৰ পৰিৱৰ্তে গণৰাজ্য দিৱসত তেওঁক ৰাষ্ট্ৰপতিৰ পুলিচ মেডেল দিয়া হৈছে। এই ঘটনাৰ ৫ দিনৰ পিচত এই বিষয়াজনৰ দুজন বিশিষ্ট অনুচৰে তেজপুৰত ঘটনাৰ অনুসন্ধান কৰিছিল। এই বিষয়া দুজনে নিজকে একোজন জেমচ্ বন্দ ভাবি ঘটনাৰ যি ভাবে অনুসন্ধান চলাইছিল তাৰ অন্তৰালত আছিল দুটা কথা—স্বাৰ্থ-সিদ্ধি আৰু ৰাজনৈতিক অভিসন্ধি। মই বিধানসভাৰ এজন দায়িত্বশীল সদস্য হিচাবে এই বিষয়ত আৰু একো কব নিবিচাৰো কিন্তু উচ্চতৰ তদন্ত হোৱাটো বিচাৰো। এইটো আৰু দুখৰ বিষয় এতিয়াও পুলিচ বিভাগটো ৰাইজৰ চকুত বৃটিছৰ দিনত যি আছিল সেই ধৰণে হৈ আছে। সেই কাৰণে এই পুলিচ বিভাগটোৰ সংস্কাৰৰ প্ৰয়োজন হৈ পৰিছে। ১৯৭২ চনৰ ডিচেম্বৰ মাহত চৰকাৰীভাবে জানিব পাৰিছিল যে অসমত চি, আৰ, পিৰ ৩২ টা কোম্পানী আছে। ১৯৭২ চনৰ হিচাব মতে গোটেই দেশত চি, আৰ, পি বাহিনী ৭৩ হাজাৰ ২৩৭ জন আছিল। তাৰ ভিতৰত অসমৰ পৰা ১,০১৮ জনে যোগদানৰ সুবিধা পাইছিল। অসমত চৰকাৰে

২ কোটি টকা বছৰি খৰচ কৰিব লাগে দুখীয়া ৰাজ্য এখনৰ বাবে এইটো এটা গধুৰ বোজা। গতিকে এই অৱস্থাৰ অবসান ঘটাব লাগে। এই ক্ষেত্ৰত মই উল্লেখ কৰিব বিচাৰিছো যে, যোৱা ৫ বছৰৰ ভিতৰত আমাৰ ৰাজ্যত ক্ৰাইম তথা অপৰাধৰ সংখ্যা শতকৰা ৩৩ ভাগ বৃদ্ধি পাইছে। সেই কাৰণেই আজি পুলিচ বিভাগটোৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণ কৰা অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। এইটো কথা আজি কোনেও আৱিস্কাৰ কৰিব নোৱাৰে যে, বৰ্তমান প্ৰশাসনীক দূৰ্নীতিটো আমাৰ সমাজৰ এটা বিৰাট সমস্যা আৰু সামাজিক প্ৰগতিৰ ক্ষেত্ৰত এটা ডাঙৰ অন্তৰায় হৈ পৰিছে। আজি আমাৰ ৰাজ্যত এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে ফলত আমাৰ জনসাধাৰণে ভাবিবলৈ আৰম্ভ কৰিছে যে দুৰ্নীতি আমাৰ সামাজিক জীৱনৰ এটা স্বাভাৱিক অৱস্থা বা ইংৰাজীত যাক কোৱা হয়, 'ওৱে অব লাইফ' এনেকুৱা এটা অৱস্থাত আমাৰ মুখ্যমন্ত্ৰীয়ে নিজৰ ব্যক্তিগত তৎপৰতাৰে দুৰ্নীতিৰ বিৰুদ্ধে যি অভিযান আৰম্ভ কৰিছে তাৰ প্ৰতি মই আন্তৰিক অভিনন্দন জনাইছো আৰু লগতে কেইটামান অতি গুৰুত্বপূৰ্ণ কথাৰ প্ৰতি মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

প্ৰথম কথা হ'ল, এয়ে যে, অসম ৰাজ্যিক পৰিবহন নিগমে ১৯৭০-৭১ চনত ইম্পোৰ্ট লাইচেন্সৰ' ক্ষেত্ৰত কৰা দুৰ্নীতি আৰু অভিযান সম্বন্ধে অনুসন্ধান কৰিবলৈ চি, বি আইক ভাৰ দিয়া হৈছিল। ইয়াৰ লগতে মই আৰু এটা কথাত যোগ দিব খুজিছো যে, ১৯৬০ চনৰে পৰা ১৯৬৭ চনলৈকে এই কালছোৱাৰ ভিতৰত অসম ৰাজ্যিক পৰিবহন নিগমে যি খিনি 'ইম্পোৰ্ট লাইচেন্স' পাইছিল সেই সম্বন্ধেও অনুসন্ধান চলাবলৈ চি, বি, আইক ভাৰ দিব লাগে। 'ইম্পোৰ্ট লাইচেন্স'ৰ ক্ষেত্ৰত হোৱা অনিয়ম সম্পৰ্কে মই এখন এনেকুৱা লাইচেন্সৰ নম্বৰ দিব বিচাৰিছো। Import Licence No. A-653175/61/AV-NS/CCI/SH dt 3.9.63 কাৰণ এই 'ইম্পোৰ্ট লাইচেন্স' খনৰ সন্দৰ্ভত অনিয়ম কৰা বুলি অভিযোগ আনি শুল্ক বিভাগে ব্যৱসায়ী প্ৰতিষ্ঠানৰ বিৰুদ্ধে এটা গোচৰ তৰিছে। তাৰ নম্বৰটো হৈছে এই Case No. R/EOW/70 Calcutta V/Sc. V of the Import & Export (Central) Act. 1947 against Assam Motor Parts & Co. Gauhati.

এই গোচৰ সংক্ৰান্তত সকলো কাগজ পত্ৰ ১৯৭০ চনৰ ১৯ মে তাৰিখে ৰাজ্যিক পৰিবহন নিগমৰ কাৰ্য্যালয়ত জব্দ কৰি নিয়া হৈছে এইটো অভিযোগ

আছিছে যে এই নিগমৰ উচ্চ পদস্থ কৰ্মচাৰীয়ে নিজৰ মাল অনা নিয়া কৰিবলৈকো নিগমৰ গাড়ী ব্যৱহাৰ কৰে। মই এটা উদাহৰণ দিব খুজিছো। গাড়ীখনৰ নম্বৰটো হৈছে এই ASX 1753—Money Receipt No. 55/067936 dt 8. 10. 73. এই ৰচিদৰ কোনো ইনভইচ নম্বৰ নাই, কেতিয়া কি মাল অনা নিয়া হৈছিল তাৰো কোনো হিচাব পত্ৰ নাই। বিশ্বস্ত সূত্ৰে আমি জানিবলৈ পোৱা মতে উচ্চ পদস্থ বিষয়াৰ ঘৰ সজাৰ সা-সজুঁলি আদি অনা হৈছিল, দ্বিতীয়তে ভাৰত চৰকাৰৰ মীন সম্প্ৰসাৰণ বিভাগে অসমৰ মীন বিভাগৰ ট্ৰেইলৰ সহ দিয়া জীপ গাড়ী আৰু বিভাগে নতুনকৈ কিনা ষ্টুদিবেকাৰ পিকআপ ভানখন মীন বিভাগৰ সঞ্চালকৰ কাৰ্য্যালয়তে ৰহস্য-জনকভাবে অন্তৰ্দ্ধান হৈছিল। সেই বিষয়ে আজিলৈকে কোনো খবৰেই নাই।

তাৰ পিছত অসম কৃষি বিভাগৰ কিছুমান উচ্চপদস্থ বিষয়াই মেচাৰ্চ কোৱালিটেক্স নামৰ এটা কোম্পানীৰ লগলাগি অত্যাধিক মুনাফাত উন্নয়ন খণ্ড বিলাকত সামগ্ৰী যোগান ধৰাৰ বাবে বিভাগীয় তদন্ত আগৰ মন্ত্ৰী সভাৰ দিনতেই হৈছিল, কিন্তু এতিয়ালৈকে এই বিষয়ে একো জনা নগ'ল।

চতুৰ্থতে ৰাজ্যিক লটাৰীৰ চাবে চাৰিলাখ টকা আত্মসাত কৰাৰ অপৰাধত যি জন বিষয়াৰ ওপৰত অভিযোগ তৰা হৈছিল সেই জনকে এতিয়া ৰাষ্ট্ৰৰ পৰিচালনাৰ নিচিনা চৰকাৰৰ গধুৰ দায়িত্বত ৰখা হৈছে।

পঞ্চমতে দেখা গল অলপতে মঙ্গলদৈত এচ, ডি, অ' জনক সাময়িক ভাৱে বৰ্খাস্ত কৰা হৈছিল কিন্তু এমাহৰ ভিতৰতে পোৱা অভিযোগ উঠাইলৈ সেইদিনাই আৰেলি হুকুম বদলি কৰি পদোন্নতি দিয়া হৈছে। ইয়াৰ বাবে প্ৰকৃততে জগৰীয়া দৰং জিলাৰ উপায়ুক্ত জনক কোনো শাস্তি বিহা ন'হল। এই উপায়ুক্ত জনৰ বিৰুদ্ধে আৰু আৰু বহুতো অভিযোগ অনা হয়। জামিন দিয়াৰ বিশেষ বিশেষ ক্ষেত্ৰত এই উপায়ুক্তজন বৰ উদাৰ আছিল; এই ক্ষেত্ৰত তেখেতে আইনৰ চাৰি সীমাৰ ভিতৰত কোনো বিচাৰ কৰা নাছিল।

চিৰাচৰিত প্ৰথা অনুযায়ী জিলাৰ দণ্ডাধীশৰ ওচৰলৈ যাবলগীয়া কেচৰ ক্ষেত্ৰতো দেখা গৈছে যে কিছুমান প্ৰভাৱশালী লোকৰ তাৰণাত সেই উপায়ুক্ত জনে দণ্ডাধীশৰ ওচৰলৈ কেচ নোযোৱাকৈয়ে নিৰ্লজ্জ ভাৱে সেই কেচ বিলাকৰ জামিনৰ হুকুম দিছিল।

১৯৭২ চনৰ ৯ আগষ্টৰ 'আসাম গেজেটৰ' ১৯২১ পৃষ্ঠাত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো, তাত সেই সময়ৰ সদস্য শ্ৰীফণী

ৰৰা ডাঙৰীয়াই তোলা তৰাংকিত প্ৰশ্নৰ উত্তৰত সেই সময়ৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাই দিয়া 'প্ৰশ্নোত্তৰ' লিপিবদ্ধ কৰা আছে, লিপিবদ্ধ কৰা প্ৰশ্নটো এনেকুৱা আছিল —

(A) "Whether there was some allegations regarding bribery and drawal of false T. A. Bills etc., against one of the Deputy Secys. of Political Deptt. while he was holding the post of Trade Adviser in Calcutta ?

The reply was Yes.

(B) Whether it is a fact that the said allegation were duly enquired into by a high ranking Police Official ?

The reply-was-Yes.

(C) If so, what were the findings of the said enquiry and what actions were taken by Government thereon ?

The reply was-Yes."

এই বিষয়টোৰ কি কৰা হ'ল এতিয়ালৈকে জনা নগল এই প্ৰশ্নোত্তৰৰ লগত যি জন বিষয়া জড়িত আছিল সেই বিষয়া জনক এতিয়ালৈকে কোনো জিলাতে উপায়ুক্ত হবলৈ নিদি সচিবালয়তে পদোন্নতি দি থকা হৈছে। এই বিষয়া জনে আজিও অসম চৰকাৰৰ ২ টা অতি গুৰুত্বপূৰ্ণ পদ অধিকাৰ কৰি আছে।

অধ্যক্ষ মহোদয়, বিধান সভাৰ আইন প্ৰণয়ণ কৰে চৰকাৰে আৰু তাক ৰূপায়িত কৰে চৰকাৰৰ প্ৰশাসনিক যন্ত্ৰটোৱে। এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে, বৰ্ত্তমান আমাৰ প্ৰশাসনীয় যন্ত্ৰটোৱে আমাৰ চৰকাৰৰ সমাজবাদী আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত মানসিক আৰু প্ৰশাসনিক ভাৱে অকণো প্ৰস্তুত হব পৰা নাই। সেই কাৰণেই দুৰ্নীতিৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰাৰ লগে লগেই সামাজিক আৰু প্ৰশাসনিক যন্ত্ৰটোৰ আমূল পৰিবৰ্তন সাধন কৰাটো নিতান্তই প্ৰয়োজনীয় কথা। তাকে নকৰি দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলোৱাটো বাতুলতা মাথোন অথবা নৈতিসূচক কথাহে হব। ৰাজ্যখনৰ প্ৰশাসনিক সুবিধাৰ পৰিপ্ৰেক্ষিততে আমাৰ অসমত বৰ্ত্তমানে থকা জিলা কেইখন আৰু সৰু কৰাটো নিতান্তই প্ৰয়োজনীয় কথা হৈ পৰিছে। প্ৰসঙ্গক্ৰমেই মই কব বিচাৰিছো যে, ১৯৬৬ যেতিয়া হাৰিয়ানা ৰাজ্যখনৰ সৃষ্টি হৈছিল তেতিয়া তাত জিলাৰ সংখ্যা

আছিল মাত্র ৬ খনহে কিন্তু তাত এতিয়া ১২ খন জিলাত পৰিণত হৈছেগৈ। ইয়াকে কৰাৰ ফলত গোটেই ভাৰতবৰ্ষৰ ভিতৰতে আজি এই হাৰিয়ানা ৰাজ্যখন এখন সমৃদ্ধিশালী ৰাজ্যৰূপে পৰিগণিত হৈছেগৈ।

ধৰ্ম্মনিৰপেক্ষতা আমাৰ ভাৰতবৰ্ষৰ মূল ৰাষ্ট্ৰীয় আদৰ্শ। কিন্তু এই ক্ষেত্ৰত বাস্তৱিকতে দেখিবলৈ পোৱা গৈছে যে, একশ্ৰেণীৰ প্ৰশাসনিক লোকে এই মূল ৰাষ্ট্ৰীয় আদৰ্শৰ ওপৰত কুঠাৰঘাট কৰিছে। উদাহৰণ স্বৰূপে তেজপুৰৰ প্ৰশাসনিক কৰ্তৃপক্ষই এটা আদেশৰ দ্বাৰা তাত থকা সংখ্যালঘু মুছলমান লোক সকলৰ মাজত এক বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা ৩১ জানুৱাৰী তাৰিখে তাত হোৱা মুছলমান লোক সকলৰ এখন সভাত গৃহীত হোৱা সাধাৰণ সভাৰ প্ৰস্তাৱ এটা মই সদনৰ অৱগতিৰ কাৰণে পঢ়ি দিব বিচাৰিছোঁ। সেইটো হৈছে, প্ৰস্তাৱ—তেজপুৰৰ মুছলিম ৰাইজে আজি প্ৰায় ৮০/৯০ বছৰৰ পৰা চাৰিদিনীয়া ভাৱে মহৰম পালন কৰি আহিছে। প্ৰথম তিনিদিন ৰাতি আৰু শেষৰ দিনত ধৰ্ম্মমূলক শোভাযাত্ৰা আদি বাহিৰ কৰি মহৰম পালন কৰি আহিছে আৰু সেইমতে স্থানীয় কৰ্তৃপক্ষই অনুমতি পত্ৰ মঞ্জুৰ কৰি আহিছে কিন্তু অতি দুখৰ বিষয় যে আজি তিনি চাৰি বছৰৰ পৰা স্থানীয় কৰ্তৃপক্ষই অনুমতি পত্ৰ দিয়াত নানা ৰকমৰ বাধাৰ সৃষ্টি কৰিব ধৰিছে। এই বছৰো অনুমতি পত্ৰ দিয়াত বাধাৰ সৃষ্টি কৰিছে আৰু ইয়াৰ কাৰণে প্ৰথম দিন মহৰমৰ ধৰ্ম্মমূলক শোভাযাত্ৰা বাহিৰ কৰিব পৰা নগ'ল। স্থানীয় কৰ্তৃপক্ষৰ উপৰোক্ত কাৰ্য্যৰ প্ৰতিবাদ কৰে। এইবছৰ তেজপুৰৰ মুছলিম ৰাইজে মহৰমৰ ধৰ্ম্মমূলক শোভাযাত্ৰা বাহিৰ নকৰে।

১) শ্ৰীকমলাপ্ৰসাদ আগৰৱালা, এম, পি,
২) ডঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী, এম, এল, এ,
৩) সভাপতি, তেজপুৰ জিলা কংগ্ৰেছ কমিটী,
৪) দৰং জিলাৰ উপায়ুক্ত,
৫) দৰং জিলাৰ আৰক্ষী অধীক্ষক,
৬) মুখ্যমন্ত্ৰী, অসম, দিছপুৰ, মহোদয় সকললৈ জ্ঞাতাৰ্থে পঠোৱা হ'ল।

সম্পূৰ্ণ স্বাভাৱিক অৱস্থা বিৰাজ কৰা স্বত্বেও সেই সকল অদূৰদৰ্শী কৰ্ম্মচাৰীৰ সাম্প্ৰদায়িক মনোভাৱৰ কাৰণে অকাৰণতে সাম্প্ৰদায়িক সংখ্যালঘু সকল ক্ষুন্ন হব লগা হৈছে। এই সম্বন্ধে মই এটা ন্যায়িক তদন্ত দাবী কৰিছোঁ।

ৰাজ্যপালৰ ভাষণত কৃষিৰ কথা উল্লেখ কৰা হৈছে। কৃষিৰ আধুনিকীকৰণৰ কাৰণে ৰাসায়নিক সাৰৰ যে অত্যন্ত প্ৰয়োজন সেই কথা কোনেও অস্বীকাৰ

কৰিব নোৱাৰে। ১৯৭৩ চনৰ আগষ্ট মাহৰ পৰা ১৯৭৪ চনৰ জানুৱাৰী মাহলৈকে ৪২৮০ টন 'নাইট্ৰোজেন' জাতীয় সাৰ অসমৰ ভাগত পৰিছিল, ইয়াৰ ৪০ শতাংশ দিয়া হৈছিল ভাৰতীয় সাৰ নিগমক আৰু ৬০ শতাংশ দিয়া হৈছিল চৰকাৰৰ 'এগ্ৰো ডেভলপ্‌মেণ্ট কৰ্পৰেশ্যনক' কিন্তু কৃষি নিগমৰ ভাগত পৰা ২২৫০ টন 'নাইট্ৰোজেন' জাতীয় সাৰৰ ভিতৰত ৯০০ টনহে আনিলে আৰু বাকী সমূদায় অংশ তেওঁলোকে 'চাৰেণ্ডাৰ' কৰিলে।

যিটো সময়ত গোটেই দেশত ৰাসায়নিক সাৰৰ বিৰাট অভাৱ অনাটন সেই সময়ত এই খিনি ৰাসায়নিক সাৰ ঘূৰাই দিব লগা হোৱাতো অত্যন্ত দুখৰ কথা। শেষত মই সাহিত্য সংস্কৃতি সম্পৰ্কে চাৰিটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। অভাৱগ্ৰস্থ শিল্পীসকলক তেওঁলোকৰ বিপদৰ সময়ত আৰ্থিক সাহাৰ্য্য দিয়াত যি নীতি চৰকাৰে গ্ৰহণ কৰিছে সি প্ৰশংসনীয় আৰু ই নিশ্চয় চৰকাৰৰ মহানুভৱ আৰু সামাজিক দায়িত্বশীলতাৰ পৰিচায়ক। কিন্তু মই ভাবো এইটো সংস্কৃতিৰ প্ৰতি এটা নিগেটিভ দৃষ্টিভঙ্গী। কাৰণ চৰকাৰৰ সাংস্কৃতিক নীতিৰ উদ্দেশ্য হোৱা উচিত সাংস্কৃতিক বিকাশত সহায় কৰা, শিল্পীৰ সাধনাক সহায় কৰা। তাৰ কাৰণে কেৱল মাত্ৰ মৰণৰ দুৱাৰ দলিত উপনীত হোৱা শিল্পীক অৰ্থ সাহাৰ্য্য দি মহানুভৱতা দেখুৱালেই নহব, যি সকল শিল্পীয়ে বিভিন্ন ক্ষেত্ৰত শিল্প সৃষ্টিৰ কাৰণে সংগ্ৰাম চলাই আহিছে, কিন্তু চৰকাৰ বা সামাজিক পৃষ্ঠ-পোষকতাৰ অভাৱত কামত আগবাঢ়িব পৰা নাই সেই সকল লোকক অৰ্থ সাহাৰ্য্য দিলেহে প্ৰকৃত সংস্কৃতি বিকাশত সহায় কৰা হব। দ্বিতীয়তে, জ্যোতি চিত্ৰবনটো সোনকালে স্বয়ং সম্পূৰ্ণ কৰিবলৈ অনুৰোধ জনাওঁ। লগতে ৰাজ্যিক কথাছবি নিগম সোনকালে গঠন কৰিবলৈ অনুৰোধ কৰিলো। উল্লেখ কৰিব পাৰি যে যোৱা বছৰৰ বাজেটত এই ৰাজ্যিক কথাছবি নিগমৰ কাৰণে টকা ধৰা হৈছিল। তৃতীয়তে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিয়ালৰ বিশিষ্ট লোক সকলে জীৱন জুৰি সাধনা কৰি অসমীয়া ভাষা সংস্কৃতি সমৃদ্ধ কৰি থৈ গৈছে। তেওঁলোকৰ স্মৃতি চিৰযুগমীয়া কৰিবৰ কাৰণে তেজপুৰত থকা ১০০ বছৰীয়া পুৰণা ঐতিহ্যমণ্ডিত, ঐতিহাসিক ঘৰটো য'ত বহি মহাত্মাগান্ধীয়ে মনোৰম অসম নামৰ প্ৰবন্ধটো ৰচনা কৰিছিল তাত ন্যাৰ্য্য ক্ষতিপূৰণ দি জাতীয় সাংস্কৃতিক সংগ্ৰাহলয় স্থাপন কৰিব লাগে। পশ্চিমবঙ্গ চৰকাৰে সুনীতি চট্টোপাধ্যায় আৰু ৰাজ শেখৰ আদি ভাষাবিদ পণ্ডিতক লৈ প্ৰশাসনীয় পৰিভাষা সমিতি গঠন কৰিছে। আমাৰ অসমতো ভাষাবিদ পণ্ডিত সকলক লৈ প্ৰশাসনীয় পৰিভাষা সমিতি

পুনৰ গঠন কৰিবৰ কাৰণে মই চৰকাৰক আহ্বান জনালো। কাৰণ পৰিভাষা এনে হোৱা উচিত যি পৰিভাষা জনসাধাৰণে গ্ৰহণ কৰে। অকল গ্ৰহণ কৰাই নহয় সেই পৰিভাষা এনে হোৱা উচিত যি পৰিভাষাই আমাৰ ভাষাটো কলোষিত নকৰি সমৃদ্ধিশালী কৰি তোলে। কাৰণ E. M. FORSTER এ কৈছে "If language decays then thought decays and when thought decays the means of communication and exchange of ideas are disrupted".

শ্ৰীমতী তৰুলতা বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, উন্নতিশীল দেশ এখনৰ প্ৰকৃত প্ৰতিচ্ছবি ডাঙি ধৰিবলৈ অসমৰ ৰাজ্যপালে সমৰ্থ হৈছে বুলি মই ভাবো আৰু তাৰ বাবে মই তেখেতক অভিনন্দন জনাইছো।

আমাৰ বিৰোধীদলৰ মাননীয় সদস্য এজনে গল্প আকাৰে যিটো কথা সদনত উত্থাপন কৰিছে সেইটো মই মানিব পৰা নাই। কাৰণ তেখেতৰ গল্পটো আছিল—এজন মানুহৰ দুগৰাকী ঘৈনীয়েক। মানুহজনৰ অলপ পকা চুলি আছিল। দুয়োগৰাকীৰ ভিতৰত এজনীয়ে পকা চুলি ভাল নাপাইছিল আৰু আনজনীয়ে কেচাচুলি ভাল নাপাইছিল। চুলিবিলাক টানি কাঢ়োতে কাঢ়োতে চুলিবিলাক নাইকীয়া হল। গতিকে তেখেতে ইয়াৰ দ্বাৰা এইটোকে বুজাব ধৰিছে যে আমাৰ চৰকাৰে এতিয়ালৈকে একোকেই কৰিব পৰা নাই। মই ভাবো আজি আমাৰ চৰকাৰৰ যিবিলাক প্ৰগতিবাদী আঁচনি সেই আঁচনি-বিলাক তেখেতে আদৰি লব পৰা নাই। আনহাতে আমাৰ চৰকাৰে যিবিলাক উন্নয়ন মূলক কাম কৰিলে সেইবিলাক এতিয়া পুনৰ বখানিবৰ প্ৰয়োজন নাই বুলি মই ভাবো। কিন্তু চৰকাৰৰ বৰ্তমান যিখিনি কৰিবলগীয়া আঁচনি আছে সেইবিলাক আন্তৰিকতাৰে সকলো ৰাইজে আদৰি লব বুলি সকলোৰে বাঞ্ছা কৰা উচিত।

উপাধ্যক্ষ মহোদয়, উল্লেখযোগ্য যে আমাৰ চৰকাৰে সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সন্তোষজনক প্ৰচেষ্টা চলাই থকা দেখি আমাৰ ৰাইজে কিছুক্ষেত্ৰত সুখী হৈছে। যেনেকৈ চৰকাৰী বিষয়া আৰু ৰাজনৈতিক পৰ্য্যায়ত আলোচনা কৰি নগালেণ্ড আৰু অসমৰ সীমা বিবাদৰ ওৰ পেলাবলৈ প্ৰচেষ্টা চলাই থকা দেখি আমাৰ ৰাইজে কিছুক্ষেত্ৰত সুখী হৈছে। যেনেকৈ চৰকাৰী বিষয়া আৰু ৰাজ-নৈতিক পৰ্য্যায়ত আলোচনা কৰি নগালেণ্ড আৰু অসমৰ সীমা বিবাদৰ ওৰ

পেলাবলৈ প্ৰচেষ্টা চলাইছে, ঠিক সেইদৰে আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ সীমান্তৰ কথা চিন্তা কৰি ইয়াৰ উপযুক্ত ব্যৱস্থা হাতত লবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। যিহেতু শদিয়া অঞ্চলত অৰুণাচলৰ ৰাইজে অসমৰ সীমান্ত অতিক্ৰম কৰি ৫ কিলোমিটাৰ ভিতৰলৈকে আগবাঢ়ি আহিছে। তাৰোপৰি জোনাই অঞ্চলত সীমান্ত অতিক্ৰম কৰাৰ ফলত কিছুমান সৰু সুৰা ঘটনা ঘটি নথকা নহয় আৰু এনেকুৱা কিছুমান ঘটনাৰ কথা চৰকাৰে নজনা নহয় তথাপিও এই অৰুণাচলৰ সীমান্তত চৰকাৰে আজিলৈকে কোনো সুস্থিৰ ব্যৱস্থা হাতত লোৱা নাই।

বৰ্ত্তমান এইখিনিতে আৰু এটা কথা উল্লেখযোগ্য যে অৰুণাচল সীমান্তত একোখন সীমান্ত পৰীক্ষা চকী অৰুণাচল ৰাজ্যৰ যেনেকৈ আছে আমাৰ তেনেকৈ পৰীক্ষা চকী নথকাৰ ফলত অহা যোৱা কৰাত বহুতো অসুবিধাৰ সৃষ্টি হৈছে। ডিব্ৰুগড়ৰ পৰা ঐৰামঘাটলৈ ফেৰি চলাচল কৰে, জোনাইৰ পৰা ঐৰামঘাটলৈ যাওঁতে যথেষ্ট কষ্ট ভোগ কৰিব লগা হয়, আমাৰ ৰাইজে এই ১৩-১৪ মাইল ৰাস্তা অহা যোৱা কৰোতে যথেষ্ট অসুবিধা ভোগ কৰিব লগীয়া হয়। তাৰোপৰি শদিয়া বনাঞ্চলত থকা লোকৰ বাবে পোন পতীয়াকৈ আলি-বাট বান্ধিছে যাতে অৰুণাচলৰ লগত সীমান্ত বিবাদৰ তুঁহ জুই উমি উমি জ্বলি থাকোতেই তাক নুমুৱাই পেলোৱাৰ ব্যৱস্থা কৰিব বিচাৰিছো যে আমাৰ সীমান্তৰ পৰিস্থিতি বেছি গুৰুত্ব হবলৈ নাপাওতেই ভাৰত চৰকাৰৰ দ্বাৰা এই সীমাবিলাক জৰীপ কৰাৰ লাগে। কাৰণ সীমা বিবাদৰ অন্তৰালত যিবিলাক কথা নিহিত হৈ আছে সেইবিলাক এই জৰীপ কাৰ্য্যৰ যোগেদি যাতে অলপ সামৰণি পৰে তাৰ বাবে চৰকাৰক মই টানি অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই এতিয়া চৰকাৰৰ ভূমিনীতি সংস্কাৰৰ কথা কব বিচাৰিছো। বিশেষকৈ আমাৰ চৰকাৰে যি ৰায়তীস্বত্ব আইন বলবৎ কৰা হৈছে তাত মোৰ পূৰ্ণ সমৰ্থন আছে, কিন্তু সেই আইনৰ দ্বাৰা চাহবাগানৰ বনুৱা সকলক মাটি বিতৰণৰ ক্ষেত্ৰত যি বেমেজালিৰ সৃষ্টি হৈছে তাৰ প্ৰতি চকু ৰাখিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। চিলিং আইনত অধিগ্ৰহন কৰা মাটিবোৰ চাহ বাগানৰ প্ৰাক্তন বনুৱাবোৰৰ মাজত বিতৰণ কৰি একো একোটা কৃষি নিগম পাতি দিব লাগে, যিহেতু আমাৰ ওচৰৰ গোচৰ আছে মেনেজাৰৰ মৰ্জিৰ ওপৰত খেতিৰ মাটি পায় আৰু বেছি ধৰণে খাজানা আদায় কৰে তাৰ পাছত

ভূমিনীতিৰ আন এটা কথা নকলে ভুল কৰা হব যে আজিলৈকে প্ৰকৃত ভূমি-হীন বুলি প্ৰমাণিত হোৱাৰ পাছতো চৰকাৰে ভূমিহীন লোকক সংস্থাপন দিয়া নাই। আনহাতে কিছুমান লোকক যিসকল বাহিৰৰ পৰা আহি মাটি বেদখল কৰি আছে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰাটো বৰ দুখৰ কথা। আমাৰ ৰাজ্যৰ বাহিৰৰ পৰা আহি সেইসকল লোকে আমাৰ ৰাজ্যত ১২০,১৩০ বিঘা মাটি ৰাখি ভালকৈ সংস্থাপন কৰি আছে।

এনে বিলাক যাতে হবলৈ নাপায় তাৰ বাবে চৰকাৰে এটা বিশেষ পৰ্য্যালোচনা কৰি আমাৰ যিবিলাক খিলঞ্জীয়া ৰাইজ তেওঁলোকৰ সংস্থাপনৰ বিশেষ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, অসমৰ জনজাতি অনুসূচীত জনজাতি আৰু পিচ পৰা লোকসকলৰ কাৰণে কিছু সংখ্যক উন্নয়ন মূলক আঁচনি চৰকাৰে লৈছে। সংবিধানৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক যিকেইটা স্বাধীনতা আছে তাত যদি আমাৰ দেশৰ শতকৰা ৭৪ ভাগ মানুহ পিচপৰি থাকে তেতিয়াহলে দেশৰ উন্নয়নত বাধা পৰিব বুলি আমি ভাবো। আজিৰ এই ব্যৱস্থাত দেশৰ পৰিস্থিতিত সদায়ে এটা এটাকৈ উলায়ে থাকিব। এনে অৱস্থাত ৰাজ্যখনে কিছুমান পৰিস্থিতি সন্মুখীনো হব লাগিব। বিশেষকৈ এটা কথাত আমি সুখী হৈছো আৰু আশা ৰাখিছো সেইটো হৈছে পঞ্চম পৰিকল্পনাত পিচপৰা অঞ্চলৰ শতকৰা ৭৪ ভাগৰ উন্নয়নকল্পে যিখন আঁচনি লৈছে সেই আঁচনিখনৰ কাৰণে আমি ধন্যবাদ জনাইছো। এই আঁচনি ফলৱতী হলে আমাৰ দেশৰ যথেষ্ট উন্নতি হব বুলি আমি আশা ৰাখিছো ৰাইজেও ৰাখিছে।

উপাধ্যক্ষ মহোদয়, কৃষিৰ বিষয় এটা কথা নকৈ নোৱাৰিলো। সেইটো হৈছে যে খেতিয়ক সকলৰ যিখিনি নিম্নতম চাহিদা এডোখৰ মাটি সেই মাটি ডোখৰত যদি এটা খেতিৰ বাহিৰে দুটা খেতি কৰিব নোৱাৰি তেতিয়াহলে আমি কৃষিৰ উন্নতি সাধন কৰিব নোৱাৰো। কৃষিৰ কাৰণে প্ৰয়োজনীয় বস্তু যেনে সাৰ, পানী আৰু বীজ এই কেইটা বস্তু ভালধৰণে যোগান ধৰিব পৰা নাই। বীজ নিগমৰ অৱহেলাৰ কাৰণে খেতিয়ক সকলে সময়মতে বীজ নাপায়। সময় যোৱাৰ পিচত কঠিয়া আদি পালেও কাম নহয়। যিবিলাক ৰাষ্ট্ৰীয়কৃত বেংক আছে সেই চৰ্ত্ত বিলাক সহজ নোহোৱা কাৰণে আমাৰ অশিক্ষিত খেতিয়ক ৰাইজ ইয়াৰ পৰা বিশেষ উপকৃত হৈছে বুলি মই নাভাবো। মই চৰকাৰক এই বিষয়ে অনুৰোধ কৰো যাতে এনে বিলাক বেমেজালি দূৰ কৰে আৰু খেতিয়ক

ৰাইজে সাধাৰণ নিয়ম অনুযায়ী বেংকৰ সাহাৰ্য্য পায় ৰাজ্যৰ কৃষি উৎপাদনত উৎসাহ যোগাব পাৰে।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পঞ্চম পৰিকল্পনাত অসমত ১১০ মেগাৱট বিজুঁলি শক্তি উৎপাদন সামৰ্থ্য আৰু ১৭৬ মেগাৱট শক্তিৰ প্ৰয়োজনৰ ঠাইত বিদ্যুৎৰ চাহিদা ৫০০ মেগাৱটলৈ বেছি বৃদ্ধি পাব। আমি এই কথা শুনি বৰ সুখী হৈছো। কিন্তু এই কথা চিন্তা কৰিবলগীয়া কথা যে যিবিলাক সীমামূৰীয়া ঠাই সেই ঠাই বিলাকত এখন ৰাজ্যৰ লোকে যি ধৰণে বিদ্যুৎৰ পোহৰ পাইছে কিন্তু কাষতে থকা আন এখন ঠাইয়ে আন্ধাৰত ডুব গৈ আছে। মই চৰকাৰক এই বিলাক বেমেজালি দূৰ কৰিবলৈ অনুৰোধ কৰিলো। মাননীয় সদস্য এগৰাকীয়ে কৈছে যে ৰাজ্যপালৰ ভাষণত মহিলা সকলৰ কাৰণে কোনো আঁচনি নাই। সঁচাকৈ এইটো বৰ দুখৰ কথা। কিয়নো আজি সমাজত মহিলাইও পুৰুষৰ দৰে কাম কৰিবলৈ আহিছে। নিজৰ এখন সংসাৰ চলাইও লৰা-ছোৱালীক পোহপাল দি ও ক'ত গৰাকী বিধবা মহিলাই কাম কৰিবলৈ আগবাঢ়িছে কিন্তু উপাধ্যক্ষ মহোদয়, তাৰ স্বীকৃতি আমি দিব পৰা নাই। মই আশা ৰাখিছো চৰকাৰে মাহিলা সকলৰ বাবেও এখন আঁচনি গ্ৰহণ কৰা উচিত হব।

এই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, মহিলাৰ কাৰণে কোনো আঁচনি নোহোৱাটো দুখলগা কথা। গতিকে মহিলা সকলে যাতে অৰ্থনৈতিক দুয়োগৰ হাত সাৰি এখন সুস্থ সৰল সংসাৰ গঢ়ি তুলিব পাৰে তাৰ বাবে একোখন সুগঠিত আঁচনি গ্ৰহণ কৰিবৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো।

শিক্ষাৰ ক্ষেত্ৰত এটা কথা নকলে ভুল হব। শিক্ষাৰ ক্ষেত্ৰত আঁচনি লৈছে সঁচা, কিন্তু ইয়াত এটা কথা চিন্তা কৰিবলগা আছে, সেইটো হৈছে যিবিলাক পিচপৰা অঞ্চল সেইবিলাকত শিক্ষাৰ প্ৰসাৰতা বঢ়াৰ লগে লগে স্কুল বিলাকতো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যাব ধৰিছে। এডিচনেল টিচাৰ নিয়োগৰ কাৰণে বাৰে বাৰে চৰকাৰক কৈ অহা স্বত্বেও চৰকাৰে সেইবিলাক অঞ্চলত এডিচনেল টিচাৰ নিয়োগৰ কোনো ব্যৱস্থা নকৰাত একেটা ক্লাচতে ১৫০ ৰ পৰা ১৮০ লৈকে লৰা-ছোৱালীয়ে পঢ়িব লগা হোৱাত নানা বেমেজালিয়ে দেখা দিয়াত শিক্ষাত উন্নতি লাভ কৰিব পৰা নাই। এই অঞ্চল বিলাকত যাতে অনতি পলমে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ। শিক্ষাৰ ক্ষেত্ৰত আৰু সীমা বিবাদৰ বিষয়ে

যিখিনি আলোচনা কৰিলো সেই কথাখিনি চৰকাৰে যাতে গুৰুত্ব দিয়ে তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপীট সিং কোঁৱৰ : মাননীয় উপাধ্যক্ষ মহোদয়, অৱশ্যে এতিয়া ইাঁহ বান্ধিবৰ সময় হ'ল, মই আজি দুআষাৰমান কৈ থম আৰু কালিলৈও দুআষাৰ কম।

ৰাজ্যপালৰ ভাষণত চৰকাৰে ১৯৭৩-৭৪ চনৰ বাবে কিছুমান ভাল কামৰ আচঁনি দাঙি ধৰিছে আৰু তাকে লিপিবদ্ধ কৰি এখন ৰচনাৰ সৃষ্টি কৰিছে। আৰু অহা বছৰত কি কি কৰিব তাকো উল্লেখ কৰিছে কিন্তু কি কি কৰিব নোৱাৰিলে আৰু কি কি কৰা নহ'ল সেইখিনিৰ কথা উল্লেখ নকৰিলে। এনে এটা ব্যৱস্থাৰে ৰাজ্যপালে তেখেতৰ ভাষণ দাঙি ধৰিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া যিদিনাখন এই পদত অধিষ্ঠিত হ'ল সেই দিনাখনৰ পৰা তেখেতে এটা ষ্টাকচাৰেল চেইঞ্জ কৰাৰ কথা কৈ আহিছিল। তেখেতে কৈছিল যে এটা বিভাগৰ কাগজ আন এটা বিভাগলৈ যাওঁতে আৰু পলম নহক, কাৰণ একেজন কৰ্মচাৰীয়েই কাগজ-পত্ৰ ইচু কৰা, টাইপ কৰা ইত্যাদি সকলো কাম কৰিব, গতিকে তেনে ক্ষেত্ৰত কাগজ-পত্ৰ ইঠাইৰ পৰা সিঠাইলৈ যাওঁতে আৰু পলম নহ'ব। এই কথাটোৰ পৰিবৰ্তন কিন্তু নহ'ল এখন কাগজ বিচাৰি ঘুৰিয়েই ফুৰিব লগা হ'ল আৰু এই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ নহ'ল।

তাৰ পিচত, আমাৰ দেশত খাদ্য বস্তুৰ যি আকাল হ'ল, ৰাজ্যপালৰ পৰা আৰম্ভ কৰি অতি দুখীয়া স্তৰৰ মানুহো ইয়াত জড়িত হ'ল। যিবিলাক বস্তু বাহিৰৰ পৰা আহে সেই বিলাকৰ দাম বঢ়াটোত আচৰিত হব লগা নাই, কিন্তু যিবিলাক বস্তু ইয়াতে উৎপন্ন হয় সেই বিলাকৰ দাম থলীতে বঢ়াটোতহে আচৰিত হব লগা হৈছে। ধানৰ দাম চৰকাৰে প্ৰতি কুইণ্টলত ৭০ টকা আৰু প্ৰতি মোনত ২৮ টকা বান্ধি দিছে। কিন্তু এটা চুকত চৰকাৰৰ বেপাৰী বহি ধান তুলিলে আৰু আনটো চুকত খুচুৰা বেপাৰী বহি থাকিলে চৰকাৰৰ ধান সংগ্ৰহ হ'ব কেনেকৈ? ৬৩১ খন সমবায় হোৱাৰ কথা চৰকাৰে কৈছিল কিন্তু ৰাজ্যপালৰ ভাষণত দুশ খন হোৱাৰ কথাহে কৈছে। কোনো কোনো মহকুমাত একেবাৰেই হোৱা নাই। য'ত দুশজন মেম্বাৰ হৈছে তাত কেনেকৈ ধান সংগ্ৰহ কৰিলে? হয়তো ১৫-২০ টকা দৰত নিজৰ পকেটৰ পৰা দি ধান কিনি থৈ পিচত তাকেই চৰকাৰক ২৮ টকা দৰত বেচিলে। আমাৰ মৰিগাওঁ, বোকনি

আৰু মায়াং সমষ্টিত এতিয়াৰ পৰাই আকাল হৈছে, ধান-চাউল নাই কিন্তু তাৰ ধান গৈ নগাওঁৰ গোদামত সোমাইছেগৈ। চৰকাৰে এইটো ভাবিলে ভুল হব যে আমাৰ সংগ্ৰহ গৈ সীমা চেৰাই গৈছে। যোৱাবাৰ ঘেঁহু যথেষ্ট পৰিমাণৰ হৈছে বুলি কাগজে-পত্ৰই কোৱা হৈছিল, কিন্তু পিচত মানুহে চিঞৰ-বাখৰ কৰিবলগা হ'ল। এইবাৰ ধানৰ ক্ষেত্ৰত যাতে সেইটো নহয় তাৰবাবে মই এতিয়াই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ধানৰ ক্ষেত্ৰতো কিমান সংগ্ৰহ হৈছে সেইটো—"ফলেন পৰিচায়তে।" আমাৰ মাননীয় সদস্য সকলে দুৰ্নীতিৰ কথা কৈছে। মই ভাবো দুৰ্নীতিৰ কথাটো বেছিকৈ প্ৰচাৰ নকৰাহে ভাল।

তাৰ পিচত আৰু এটা কথা উপাধ্যক্ষ মহোদয়, আমাৰ সকলোবিলাক সদস্যাই সদায় দুৰ্নীতিৰ কথা কয়, কিন্তু মই ভাবো এই সদনত 'দুৰ্নীতি' শব্দটো নোকোৱাই ভাল। যদিহে আমি এইটো বেয়া বুলি ভাবো তেনেহলে সেইটো আমি ঘনাই কৈ থাকিব নালাগে। এই শব্দটো এতিয়া আমাৰ সকলোৰে মুখে মুখে হৈ গৈছে। এইটো 'নীতিৰ পৰা আতৰি কাম কৰা' বুলিলেহে ভাল শুনাব। কাৰণ 'দুৰ্নীতি' শব্দটো সকলোৰে মুখে মুখে হোৱাৰ কাৰণে সকলোৱেই দুৰ্নীতি কৰিবলৈ লৈছে। সৰুৰ পৰা ডাঙৰলৈকে সকলোৰে মুখত দুৰ্নীতিৰ কথা আৰু সকলোৱেই দুৰ্নীতি কৰে। এখন দোকানলৈ গলে তাত কনট্ৰলৰ বস্তু আৰু ডি কনট্ৰলৰ বস্তু দুয়োটাই পাব। যদি দোকানীক কোৱা হয় চেনি লাগে বুলি তেতিয়াহলে দোকানীয়ে কব যে কনট্ৰলৰ চেনি নাই ডি কনট্ৰলৰ চেনিহে আছে। একেখন দোকানকে কনট্ৰল আৰু ডি কনট্ৰলৰ দুয়োবিধ বস্তু ৰাখিবলৈ দিয়াটো জানো দুৰ্নীতি নহয়? তেওঁলোকে কেতিয়াও কনট্ৰলৰ বস্তু আছে বুলি মানুহক নকয় অথচ কনট্ৰলৰ দামত যিখিনি বস্তু বেচিবলৈ তেওঁলোকক দিয়া হয় সেইখিনিও ডি কনট্ৰলত বিক্ৰী কৰে। গতিকে এই দুয়োবিধ বস্তু কেতিয়াও একেজন মানুহক বিক্ৰী কৰিব দিব নালাগে। ৰাজ্যপাল ডাঙৰীয়াই এবাৰ কথা কৈছে যে বস্তুৰ মূল্য যাতে আৰু বাঢ়িব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লৈছে। এই কথাটো তেখেতে কিয় ক'লে আমি সেই কথা বুজিব পৰা নাই। বস্তুৰ মূল্য আজি বৃদ্ধি হৈহে গৈছে কিন্তু তাক ৰোধ কৰিবৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই বুলি ক'লে বোধ হয় অত্যুক্তি কৰা নহব। আমাৰ দেশতে যিবিলাক বস্তু উৎপাদন হয় সেইবিলাক বস্তুৰ দাম আমাৰ ইয়াতে কিয় ইমান বেচি সেই কথা আমি বুজিব পৰা নাই। আৰু এই বস্তু বিলাকৰ যদি দাম কম কৰিবলৈ বিচাৰে তেনেহলে আমাৰ ইয়াত

উৎপাদন বৃদ্ধি কৰিব লাগিব। উৎপাদন বৃদ্ধিৰ কাৰণে আমাৰ খেতিয়ক সকলক যিবিলাক আহিলা বা সা-সুবিধাৰ প্ৰয়োজন হয় সেই বিলাক যোগান ধৰিব লাগিব। আমাৰ ইয়াত উৎপাদন বৃদ্ধি কৰিবলৈ হলে পানী যোগানৰ ব্যৱস্থা কৰিবই লাগিব। মই খবৰ লৈ আহিছো জখসাবন্ধাত এটা জলসিঞ্চনৰ ব্যৱস্থা কৰিব খুজিছে। আৰু ইয়াৰ পৰা ইঞ্জিনীয়াৰ সকলক কৈ আছে যে গ এ হেড গ এ হেড। এইদৰে কিজানি গ এ হেড বুলি টেলিফোন বা ট্ৰাংকলেৰে ২০ দিনত ৫ বাৰ মানকৈ কৈছে। কিন্তু লিখিত হিচাবে একো দিয়া নাই। লিখিত ব্যৱস্থা নোহোৱাকৈ যদি মানুহজনে কাম কৰিবলৈ যায় তেতিয়াহলে এই ফোনেৰে দিয়া গ এ হেড অৰ্ডাৰটো মানুহজনৰ প্ৰতি ফাঁচিৰ হুকুমৰ দৰে ব্যৱস্থা নহবনে? আজি অফিচে অফিচে, কৰ্মচাৰী সকলৰ মাজত ভীষণ বিৰুধ ভাব আছে। তাৰ কাৰণেই সকলো সময়তে কাম নহয়, আৰু তাৰ ফলত টকা বিলাক ঘুৰাই দিবলগীয়া হয়। আচলতে যদিও আমাৰ বাজেট ডেফিচিত হোৱা বুলি কৈ থাকে সেইটো প্ৰকৃততে ডেফিচিত নহয়। কাৰণ যি টকা কামৰ কাৰণে দিয়া হয় সেই টকা কাম নকৰাৰ কাৰণে পিচত চাৰেণ্ডাৰ কৰি দিয়ে। গতিকে কথাটো এনেকুৱা হ'ল যে ১০ ৰ ১০ গ'ল থাকিল শূন্য। যোৱাবাৰ আমাৰ মুখ্যমন্ত্ৰীয়ে নতুন কৰ নলগোৱাৰ কাৰণে বাহ বাহ লৈছিল। যদিও বাজেটখন ডেফিচিত আছিল।

মই এতিয়া ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্টৰ কথা কব বিচাৰিছো। অসমত তিনিটা কাগজৰ কল প্ৰতিষ্ঠা কৰাৰ কথা আছিল। এটা যোগীঘোপাত, এটা কাছাৰত আৰু এটা মৰিগাৱত। আৰু এই কাগজৰ কলৰ আধাৰশিলা ২৬ জানুৱাৰী তাৰিখে কৰাৰ কথা আছিল। কিন্তু ক'ত কাগজৰ কলৰ আধাৰশিলা স্থাপন কৰিব সেইটো আমি এতিয়ালৈকে নেজানো। গতিকে ডেভেলপমেণ্টৰ যদি এনে নমুনা হয় তেনেহলে ডেভেলপমেণ্ট আৰু ৫০ বছৰলৈ পিছুৱাই যাব। এই কাগজৰ কল কেইটা স্থাপন কৰিব পৰা হলে আমাৰ বৰ্ত্তমান যি কাগজৰ অভাৱ হৈছে, সেই অভাৱৰ কাৰণে লৰা-ছোৱালীৰ কিতাপ বহী চপা কৰিব পৰা নাই, এই বিলাক নহলহেঁতেন। এই ধৰণেৰে কাম নকৰি দিল্লীৰ লগত চিঠি লিখা-লিখি কৰি থাকিলেই আমাৰ কাম নহব, আমাৰ কোনো সমস্যা সমাধান নহব।

মই এতিয়া ভূমি সংস্কাৰৰ কথা কব বিচাৰিছো। ভূমি সংস্কাৰ কি ধৰণেৰে হৈছে কব নোৱাৰো। মাটি এচপৰাও মানুহক দিয়া নাই। আগতে ভূমি সংস্কাৰৰ কাৰণে লেণ্ড ৰিফৰ্ম নামৰ এটা কমিটী আছিল। এতিয়া তাৰ

ঠাইত লেণ্ড ইউজ কমিটী কৰা হৈছে। এম এল এ সকলো লেণ্ড ইউজ কমিটীত আছে। মই কব বিচাৰিছো যে এম এল এ সকলৰ ইমান কাম সেইখিনি কৰিবলৈকে সময় নাই। আকৌ যদি লেণ্ড ইউজ কমিটীতো কাম কৰিবলৈ দিয়া হয় তেনেহলে যি সকল এম এল এৰ দুই এডাল চুলি পকিছে সেই সকলৰ আটাইখিনি চুলি পকি শেষ হব। আমাৰ লেণ্ড ৰিফৰ্ম বা লেণ্ড ইউজ যিয়েই কমিটী নকৰক আমাৰ যিটো আচল বস্তু খেতিয়কক মাটি দিয়া সেইটো সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া দেখা গৈছে মানুহক মাটি দিয়াৰ পৰিৱৰ্ত্তে ক'ৰবাত কোনোবাই চৰকাৰী মাটি লৈ খেতি কৰিছে যদিও সেই বিলাকক উচ্ছেদহে কৰিছে। শুনিবলৈ পাইছো গহপুৰত, কাকীত, প্ৰথু-সাৰিত খেতিয়কক উচ্ছেদ কৰিছে, মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদৰ সমষ্টিত খেতিয়ক উচ্ছেদ কৰিছে, কাকীটো খেতিয়কক উচ্ছেদ কৰিছে। এই ধৰণেৰে খেতিয়ক সকলক এটা অস্থিৰ অৱস্থাত ৰাখি তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাই থাকিবলৈ দি থকাটো চৰকাৰৰ পক্ষে কেতিয়াও উচিত কাম হব নোৱাৰে। সেই কাৰণে মই ভাবো যে খেতিয়ক সকলে আবাদ কৰা ঠাইতে খেতিয়কক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। পেটত ভোক লৈ কোনো মানুহ থাকিব নোৱাৰে, মানুহে বেদখল কৰিবই। লেণ্ড ৰিফৰ্ম বা লেণ্ড ইউজ যিয়েই কমিটী কৰি নাথাকক তাৰ দ্বাৰা মানুহৰ পেটৰ ভোক গুচাব নোৱাৰে। আমি একো কৰি দিব নোৱাৰাৰ কাৰণে আজি কালি মানুহ বিলাকে আমাক বিশ্বাস নকৰা হৈছে। আজি সকলোৱেই এটাই চিন্তা কৰে পৃথিৱীত জীয়াই থাকিবৰ কাৰণে। কেনেকৈ লৰা ছোৱালীক ভাল শিক্ষা দিব পাৰি, কেনেকৈ ভাল কানি-কাপোৰ পিন্ধাব পাৰি এইটোৱেই সকলোৰে চেষ্টা। সকলোৱেই পেটৰ দায়ত পৰি কাম কৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীৰ পৰা মুখ্যমন্ত্ৰীলৈ, মুখ্যমন্ত্ৰীৰ পৰা ৰাজ্যপাললৈ, ৰাজ্যপালৰ পৰা সাধাৰণ জনসাধাৰনলৈ সকলোৱেই পেটৰ কথা চিন্তা কৰে। সেই কাৰণেই পেটৰ কথা ভাবিবলৈ যাওঁতে, আৰু লৰা-ছোৱালীক ভাল শিক্ষা ভাল কাপোৰ-কানি দিবলৈ যাওঁতে কোনোবাই বেচি পইচা পায়, ভাল ভাল বস্তু দিয়ে আৰু কোনোবাই বেচি পইচা নাপায় ভাল বস্তু দিব নোৱাৰাৰ কাৰণে দুৰ্নীতি কৰে। অৰ্থাৎ নীতিৰ পৰা আতঁৰি কাম কৰিবলৈ হয়। পেটৰ কাৰণে যেতিয়া সকলোৱেই চিন্তা, আৰু তাৰ কাৰণেই সকলোৱেই নীতিৰ পৰা আতঁৰি কাম কৰিবলৈ যাওঁতে যাওঁতে আমাৰ গোটেই ৰায়ু খিনিয়েই

নষ্ট হৈ গৈছে। সেই কাৰণে এই নষ্ট বায়ু সেৱন কৰি কোনো ভাল মানুহ হব নোৱাৰে। গতিকে এই বায়ু নিকা কৰিবলৈ চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ "কৃপাবৰ বৰবৰুৱাৰ ভাৱৰ বুৰবুৰনিত" লিখা কথা এফাকিলৈ মোৰ মনত পৰিছেঃ পেটহি ধৰ্মং পেটহি কৰ্মং পেটহি সকলং মূলং, যদি পেটং অন্নং ন দিয়তে হা পেট, পেট পেটায়তে। গতিকে পেটৰ কাৰণেই সকলোৱেই কাম কৰিছে। আপুনি উপাধ্যক্ষ মহোদয়, উপাধ্যক্ষ হৈ আপুনি পেটৰ কাৰণে চিন্তা কৰিছে। আমাৰ এম এল এ সকলে জানো পেটৰ কাৰণে চিন্তা নকৰে? নকৰে যদি কিবা চৰকাৰী কামত আহি বা বিধান সভালৈ আহি প্ৰথমতে কিয় টি, এৰ খবৰ লয়?

আমি এটা কথা লক্ষ্য কৰিছো যে বহুতেই দুখ কৰে যে মুছলমান সকলৰ কাৰণে কওঁতা কোনোৱেই নাই। কিন্তু আমি হলে চিন্তা কৰিছো। মৰিগাৱত যি শিক্ষকৰ নিযুক্তি হল তাত আমি সকলোকে সমানে চাইছো।

মৰিগাৱত এখন কৃষি নিগম কৰিছে। কিন্তু আমি তাত দেখিবলৈ পাইছো যে সাধাৰণতে যি বিলাক মানুহে মাটি পাব লাগে সেই বিলাক মানুহে মাটি পোৱা নাই। যি বিলাক মানুহৰ যথেষ্ট পৰিমাণে মাটি আছে সেই বিলাক মানুহেহে মাটি পাইছে। ইয়াৰ এটা ভাল তদন্ত হব লাগে বুলি মই দাবী কৰো।

মিঃ ডেপুটী স্পীকাৰঃ সময় হৈ গ'ল।

শ্ৰীপীট সিং কোঁৱৰঃ শেষ কৰিছো।

ৰাজ্যপালৰ ভাষণখন কিছুমান ধুনীয়া শব্দাৱলীৰ সমাবেশৰ এখন গতানুগতিক ৰচনা চৰকাৰৰ দোষ ত্ৰুটি বিলাক ইয়াত উল্লেখ কৰা নাই, সেই কাৰণে মই ভাবো এনেকুৱা ভাষণ যাতে ভবিষ্যতে উত্থাপন নকৰে, লাগিলে ভাষণ প্ৰস্তুত কৰাৰ সময়ত আমাক সুধি লব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** The House stands adjourned till 10 A. M. tomorrow.

The House then rose at 5 P. M. and was adjourned till 10 A. M. on Wednesday the 13th February, 1974.

Shri P. D. Barua
Secretary,
Assam Legislative Assembly.

Dispur
12-2-74